চান্দমামা

এপ্রিল ১৯৮৬



Mudra:A:PI:2950 ASM

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক– আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন

Will you be there

Puri. The temple of Lord Jagannath. Garland around her neck and vermillion on her forehead, the 9-year-old bride of the Lord pledges her faith to Him amidst all the pomp and ceremony of a true Oriya wedding. No longer an ordinary girl, she is now the earthly consort of Puri Jagannath ...

The fascinating story of the dasis of Puri. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What light does Ramanujam's 'lost notebook' throw on Number Theory?

And more ...

Fascinating articles month after month, on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little known places and exotic lands.

From the publishers of Chandamama

for the Devadasi wedding?

Updates and flashbacks on science and technology.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

All of which makes the Heritage a fascinating way to catch up with the past and the present.

A fiction bonanza in every issue

Every issue of the Heritage carries at least three short stories and a novelette, written by some of the most well known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include Mulk Raj Anand. M N Das. M P Pandit. K A Abbas.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72/- towards annual subscription.

Name : ....

Address : ....

....

Mail your subscription to : **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP-1825

চান্দমামা

এপ্ৰিল ১৯৮৬

এই সংখ্যাত আছে

অনসূয়া	:	১০
গুৰু-মণ্ডলি	:	১১
বেফাই-বেবনি	:	১৫
কাঁহৰ কিল্লা	:	১৯
তাৰ নাম ভালপোৱা	:	২৭
ৰোগ নিৰ্ণয়	:	৩৪
আমাৰ দ'ল-দেৱালয়	:	৩৫
বিচিত্ৰ বিবিজান	:	৩৯
শিৱ-পুৰাণ	:	৪৩
মানুহৰ দাম	:	৪৯
প্ৰাণৰ বৰণ বগা	:	৫১
চাণক্য-চৰিত	:	৫৮

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, সময়-নিৰ্ণয়, পশু-পক্ষী-কথা ইত্যাদি।

চান্দমামা

সংস্থাপক :
চক্রপাণি

সঞ্চালক :
বি নাগিৰেড্ডি

সমূহ ৰাইজৰ হিয়াভৰা মৰম, সহযোগ, আশীৰ্বাদ মূৰত লৈ 'চান্দমামা' এঘাৰ বছৰীয়াটো হ'ল। যোৱা দহ বছৰ ধৰি 'চান্দমামা'ই ৰাইজক কি দিব পাৰিলে, কি দিব পৰা নাই, তাৰ বিচাৰ ৰাইজেই কৰিব। অভিনন্দন, বা অভিযোগৰ কথাও ৰাইজেই ক'ব। আমি মাথোন ক'ম : ৰাইজেই কেঁচুৱাকালৰপৰা তেওঁলোকৰ অতিকৈ' চেনেহৰ 'চান্দমামা'ক তুলি-তালি ডাঙৰ-দীঘল কৰিলে, 'অ.ক আগলৈকো কৰি থা ৰব—এই কথাত আমি নিঃসন্দেহ।

অমৰ-বাণী

স্থানভ্ৰষ্টা ন শোভন্তে দন্তাঃ কেশস্তথা নখাঃ।
গজম্ চমৰ শাৰ্দূলৌ হিত্বা যত্ৰ গৌৰৱম্ ॥

[নিজৰ স্থান পৰিত্যাগ কৰাৰ পাছত দাঁত, কেশ আৰু নখৰ সৌন্দৰ্য্য নাথাকে। পিছে—স্থানত্যাগকাৰী হাতীৰ দাঁত, চমৰযুক্ত পশুৰ কেশ আৰু বাঘৰ নখে গৌৰৱ আৰ্জিব পাৰে।]

বছৰ : ১১ এপ্ৰিল ১৯৮৬ সংখ্যা : ১

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

"অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!"– ফেভি ফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো নহয়
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বহুত কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

জাপানী ফুল ক্ৰিছানথিমাম ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত:
"ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

জাপানী ফুল ক্ৰিছানথিমাম ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত:
"ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম: ______________________

বয়স: ______________________

ঠিকনা: ______________________

____

চহৰ: ______________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জার্নেল ফেভিক্ৰাফ্ট পালানে? হয়/নহয়

(Ch)

ফেভিকল এম-আৰ
চিন্থেটিক এধেছিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু ৰেই জোৰা দিব লাগে!

® দুয়ো আৰু ফেভিকল ... পিডিলাইট ইণ্ডাষ্টিজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

OBM-7070 ASM

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

তৰাৰ বাতৰি

আমেৰিকাৰ বিজ্ঞানীসকলে পৃথিৱীৰপৰা ১৪'৫ লক্ষ আলোকবৰ্ষৰ দূৰত্ব থকা এক নক্ষত্ৰমণ্ডলী আৱিষ্কাৰ কৰিছে। বাৰ্কলে বিশ্ববিদ্যালয়ৰ অধ্যাপক বয়ৰান স্পিনৰাডে এই অভিনৱ নক্ষত্ৰগুলীৰ সন্ধান পাইছে।

ক্ষমাৱন্ত হস্তী

অন্ধ্ৰপ্ৰদেশৰ চিত্তুৰ জিলাৰ এজন হালোৱাৰ খেতি-পথাৰত এটা হাতী সোমোৱাত হালোৱাই খেদতে হাতীটোক লাঠিৰে কোবালে। হালোৱা মানুহজন আছিল বুঢ়া। কোব খাই হাতীটোৱে বুঢ়াক শুঁৰেৰে মেৰিয়াই ওপৰলৈ দাঙিলে। তেতিয়া বুঢ়াই হাতযোৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰাত ক্ষমাৱন্ত হাতীটোৱে বুঢ়াক আলফুলে নমাই দিলে।



সংগীত সংহিতা

শ্ৰীৰংগমৰ মন্দিৰত এখন নতুন পুথি আৱিষ্কৃত হৈছে। নাগৈ মুৰলীধৰণ নামৰ সংগীতৰ শিল্পী এগৰাকীয়ে একেৰাহে পচিছ ঘণ্টালৈ বেহেলা বজাইছিল বুলি এই পুথিত লিখা আছে। আৰু তেওঁৰ লগত মৃদংগম্ বজাইছিল কে-ৰাজাৰামনে।

জানিবলগীয়া

১। উত্তৰ মেৰুলৈ পোনপ্ৰথমে কোনে গৈছিল ?

২। দক্ষিণ মেৰুলৈ পোনপ্ৰথমে কোনে গৈছিল ?

৩। কোনে নিউজিলেণ্ড আৱিষ্কাৰ কৰিছিল ?

৪। কোনগৰাকী বৃটিছ নাবিকে সৰ্বপ্ৰথমে সমগ্ৰ পৃথিৱী পৰিক্ৰমা কৰিছিল ?

৫। আফ্ৰিকাত ভ্ৰমণ কৰি থাকোঁতে ডেভিড লিভিংস্টনে কোনটো বিখ্যাত জলপ্ৰপাত আৱিষ্কাৰ কৰিছিল ?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

অনসূয়া

অনসূয়া আছিল মহাঋষি অত্ৰিৰ পত্নী। অনসূয়াৰ পাতিব্ৰত্য আছিল ভুৱনবিদিত। তেওঁ আছিল অতি ৰূপৱতী আৰু মাতৃৰ দৰে মৰমিয়াল।

এই মাতৃহৃদয়া, পাতিব্ৰত্যসম্পন্ন অনসূয়াৰ নাম তিনিওলোকতে আলোচিত হোৱাৰ বাবে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰে এটি আঁচনি ল'লে। তেওঁলোক তিনিও ব্ৰাহ্মণৰ ৰূপ ধৰি অত্ৰিৰ আশ্ৰমলৈ গ'ল। অনসূয়াই তেওঁলোকক সমাদৰ কৰি আলহীৰূপে বৰণ কৰিলে। তেওঁলোকে কি খাবলৈ ভাল পায়, কোন বিষয়ত আগ্ৰহ আছে, সুধিলে।

সেই ব্ৰাহ্মণ তিনিগৰাকীয়ে অনসূয়াক ক'লে, "আমি তোমালোকৰ আশ্ৰমত অলপ জিৰণি ল'ম বুলিহে আহিছোঁ। তুমি আমাক কোলাত লৈ, স্তন্যপান কৰাই, নিদ্ৰামগ্ন কৰিবা—এয়ে আমাৰ আশা।"

তেওঁলোকৰ কথা শুনি অনসূয়াই মৃদুকৈ হাঁহি মাৰি ক'লে, "ঠিক আছে, বোপাসকল, তোমালোকৰ ইচ্ছা মই পূৰাম।" এই বুলি কৈ, অনসূয়াই তেওঁলোকৰ গাত পানী ছটিয়াই দিয়াৰ লগে লগে ব্ৰাহ্মণ তিনিও শিশুলৈ ৰূপান্তৰিত হ'ল। তেতিয়া অনসূয়াই তেওঁৰ বুকুৰ পিয়াহ খুৱাই তেওঁলোকক নিদ্ৰামগ্ন কৰিলে।

অনসূয়াৰ মহিমাত মুগ্ধ হৈ ব্ৰহ্মা বিষ্ণু মহেশ্বৰে নিজৰূপ ধৰি অনসূয়াক বৰ খুজিবলৈ ক'লে। অনসূয়াই ক'লে, "মই তোমালোক তিনিওকো মোৰ গৰ্ভত ধাৰণ কৰি পুত্ৰৰূপে পাবলৈ বাঞ্ছা কৰিছোঁ।" তিনিও উপায়ন্তৰ হৈ সন্মত হ'ল। পৰৱৰ্তীকালত অনসূয়াৰ গৰ্ভৰপৰা ব্ৰহ্মাৰ অংশজাত সোম, বিষ্ণুৰ অংশজাত দত্তাত্ৰেয়, আৰু মহেশ্বৰৰ অংশজাত দুৰ্বাসাই জন্মগ্ৰহণ কৰিছিল।

বনবাসৰ কালত ৰাম, লক্ষ্মণ আৰু সীতা অত্ৰি আশ্ৰমলৈ গৈছিল। তেতিয়া অনসূয়াই সীতাক সতীৰূপে জীৱন-যাপনৰ পদ্ধতি শিক্ষা দিছিল।



গুৰু-মণ্ডলি

চতুৰংগপুৰৰ ৰজা চন্দ্ৰহাসৰ গুৰুৰ নাম আছিল ৰুদ্ৰাক্ষ। ৰজাৰ গুৰু ভক্তি আছিল প্ৰবল। এই গুৰুভক্তিৰ প্ৰাবল্যৰো অলপ কাৰণ আছিল। দেশত এবাৰ প্ৰায় অৰাজক অৱস্থাই দেখা দিয়াত গুৰু ৰুদ্ৰাক্ষই সঠিক সময়ত সঠিক পৰামৰ্শ দিয়া বাবেহে ৰজা চন্দ্ৰহাসে সিংহাসন ৰক্ষা কৰিব পাৰিছিল।

নিজক এগৰাকী জ্ঞানৱন্তা পুৰুষ আৰু সৰ্বত্যাগী বুলি ভাবিছিল গুৰু ৰুদ্ৰাক্ষই। কিন্তু তেওঁ আছিল বৰ অহংকাৰী। তেওঁৰ সাজ-পাৰো আছিল বৰ দামী, ৰেছমৰ গৈৰিক বস্ত্ৰহে তেওঁ পিন্ধা-উৰা কৰিছিল। তেওঁৰ ডিঙিত ওলমিছিল হীৰাৰ হাৰ, হাতত সোণৰ খাৰু। আৰু ৰজা চন্দ্ৰহাস আছিল ৰুদ্ৰাক্ষই উঠ্ বুলিলে উঠ বহ্ বুলিলে বহ্ বিধৰ মানুহ। সেনাপতি, মন্ত্ৰী তথা ৰাজ কৰ্মচাৰী-সকলৰে গুৰু ৰুদ্ৰাক্ষৰ আচৰণ আছিল আগত খুৰা খুৰা পাছত মালী বুঢ়া বিধৰ।

এবাৰ ৰুদ্ৰাক্ষই ৰজা চন্দ্ৰহাসক ক'লে, "ৰজা, মোৰ প্ৰতি তোমাৰ অপৰিসীম ভক্তিৰ কথা সৰ্বজনবিদিত। কিন্তু তোমাৰ বংশধৰহঁতে এই কথা জনাৰ সম্ভাৱনা নেদেখোঁ। এতেকে—দেশৰ প্ৰতিটো চাৰি-আলিত মোৰ মূৰ্তি প্ৰতিষ্ঠা কৰা উচিত।"

ৰজাই তৎক্ষণাৎ তেওঁৰ মহামন্ত্ৰীক মতাই অনাই ক'লে কথাটো। তেওঁ ক'লে, "এই কামৰ বাবে দেশৰ বাছা বাছা শিল্পীক আহ্বান কৰক।"

ৰজাৰ নিজস্ব চিত্ৰশিল্পীৰ দ্বাৰাই ৰাজগুৰু ৰুদ্ৰাক্ষৰ এখন চিত্ৰ অঁকালে

কনকলতা চৌধুৰী

এই সম্বাদ পাই ৰজাই ভাল পালে, আৰু ৰাজগুৰুৰ জন্মদিনত স্বয়ং এই বিগ্ৰহটি প্ৰতিষ্ঠা কৰিব বুলি ঘোষণা কৰিলে।

মগংলবাদ্য বাজি থাকিল। ৰজাই আনন্দ মনেৰে বিগ্ৰহৰ আচ্ছাদনবস্ত্ৰ উন্মোচিত কৰিলে। কিন্তু বিগ্ৰহটি দেখিয়েই ৰুদ্ৰাক্ষই বাঘচকুৰে চাই ৰজাক কৈ উঠিল, "হেৰাহে ৰজা চন্দ্ৰহাস, এইটো মোৰেই বিগ্ৰহ হয়নে? এই বিগ্ৰহৰ ক'তো মোৰ চিন-মোকাম নোপোৱা?"

গুৰুৰ কথা শুনি ৰজাই মন্ত্ৰীলৈ চালে। মন্ত্ৰী মাৰ্তণ্ডই ৰজাক সবিনয়ে ক'লে, "মহাৰাজ, আমাৰ দেশৰ সুবিখ্যাত শিল্পী মল্‌হানচাৰিয়ে এই নিৰ্মাণ কৰিছে। আমাৰ দেশৰ গুৰুত্বপূৰ্ণ মূৰ্তিসমূহ তেৱেঁই নিৰ্মাণ কৰিছিল। তেওঁ বহুতো উপহাৰ পুৰস্কাৰ পাইছিল, সন্মানৰ শৰাইৰ তো কথা নাই। সকলোফালৰেপৰাই ধন-মান পোৱাত তেওঁৰ মনত অহংকাৰে বাহ লৈছে। যি কি নহওক—এই মূৰ্তিৰ ত্ৰুটিখিনিলৈ আঙুলিয়াই দিব পাৰিলে তেওঁ নিশ্চয় মূৰ্তিটিৰ তথা নিজৰো সংশোধন কৰিব পাৰিব। মহাৰাজে অনুমতি দিয়ে যদি—মল্‌হানচাৰিক মতাই অনাব পাৰোঁ।"

মহামন্ত্ৰীৰপৰা আহ্বান পাই শিল্পী

আৰু এই চিত্ৰখন অৱন্তীনগৰৰ বিখ্যাত শিল্পী মলহানচাৰিৰ ওচৰলৈ পঠালে। মহামন্ত্ৰীয়ে মল্‌হানচাৰিলৈ লিখি পঠালে: 'এই চিত্ৰখন হ'ল আমাৰ চতুৰংগপুৰৰ ৰজা চন্দ্ৰহাসদেউৰ গুৰু শ্ৰীমৎ ৰুদ্ৰাক্ষৰ চিত্ৰৰূপ। এই চিত্ৰৰূপৰপৰা যিমান সোনকালে সম্ভৱ এটি বিগ্ৰহ নিৰ্মাণ কৰি লৈ আহিব। বিগ্ৰহ নিৰ্মাণ কৰোঁতে এটা কথা সদায় মনত ৰাখিব—আমাৰ ৰাজগুৰুজনা কিন্তু সৰ্বত্যাগী।'

ৰুদ্ৰাক্ষৰ জন্মদিনৰ আগে আগে শিল্পী মল্‌হানচাৰি বিগ্ৰহটি লৈ চতুৰংগপুৰলৈ আহিল আৰু বিগ্ৰহটি দি গুচি গ'ল।

মল্হান্‌চাৰি আহিল। ৰজাই শিল্পীক ক'লে, "শিল্পী হিচাপে আপোনাৰ তুলনা নাই, আৰু যথাযোগ্য সমাদৰো আপুনি পাইছে। কিন্তু মোৰ গুৰুৰ বিগ্ৰহ নিৰ্মাণত আপুনি সম্পূৰ্ণ ব্যৰ্থ হৈছে। এই বিগ্ৰহৰ লগত গুৰুৰ সাদৃশ্য বিচাৰি পোৱা টান।"

ৰজাৰ কথাত অবাক মানি শিল্পী মল্হান্‌চাৰিয়ে মহামন্ত্ৰীলৈ ঘূৰি চাই ৰজাক ক'লে, "মহাৰাজ, কেৱল চিত্ৰৰূপ চাই ৰাজগুৰুৰ বিগ্ৰহ নিৰ্মাণ কৰাহেঁতেন অবিকল মূৰ্তি হ'লহেঁতেন। কিন্তু বিগ্ৰহটি নিৰ্মাণ কৰোঁতে মহামন্ত্ৰীৰ লিখিত চিঠিখনৰ এষাৰ কথাই মোক সদায় খুন্দিয়াইছিল। আমাৰ মহামন্ত্ৰী মাৰ্তণ্ডদেৱে লিখি পঠিয়াইছিল যে ৰাজগুৰু হেনো সৰ্বত্যাগী!"

মহামন্ত্ৰীয়ে কৈ উঠিল, "নিশ্চয়, তেওঁ নিশ্চয় সৰ্বত্যাগী—সেই কথা ঠিকেই।"

মল্হান্‌চাৰিয়ে ৰাজগুৰু ৰুদ্ৰাক্ষলৈ চাই ক'লে, "মহাৰাজ, ৰাজগুৰুসকলৰ ধৰণ-ধাৰণ মই নজনা নহওঁ, জানো। মহামন্ত্ৰীয়ে সেই চিঠিখন নিলিখাহেঁতেন আপুনি তথা ৰাজগুৰুৱেও তেওঁৰ আকাংক্ষিত মূৰ্তিটি পালেহেঁতেন। যি কি নহওক—আপুনি যদি অনুগ্ৰহ কৰি অনুমতি দিয়ে, মহাৰাজ, মই 'ৰাজগুৰু সৰ্বত্যাগী'—এইষাৰ কথা পাহৰি মূৰ্তিটোক পুনৰ মূৰ্তি ৰূপে নিৰ্মাণ কৰিব পাৰোঁ।"

ৰজাই ক'লে, "ওঁ, তাকে কৰক।

যিমান সোনকালে সম্ভৱ আনি দিয়ক।"

ৰজাক নমস্কাৰ কৰি শিল্পী মল্হান্‌চাৰিয়ে উভতি খোজ দিয়াৰ লগে লগে হঠাৎ ৰাজগুৰু ৰুদ্ৰাক্ষই মল্হান্‌চাৰিক ৰখাই ৰজাক কৈ উঠিল, "ৰজা চন্দ্ৰহাস, এই মূৰ্তিটোক সংশোধন কৰাৰ, বা ৰাজধানীৰ প্ৰধান চাৰিআলিত প্ৰতিষ্ঠা কৰাৰো প্ৰয়োজন নাই। মূৰ্তিটো চাৰিআলিৰপৰা আঁতৰাই দিয়া হওক।" ৰুদ্ৰাক্ষৰ কথা শুনি স্বয়ং ৰজা আৰু সকলোটি ভেবা লাগিল।

ৰুদ্ৰাক্ষই পুনৰ ক'লে, "হে ৰজা চন্দ্ৰহাস, অলৌকিক বিষয়সমূহত মোৰ জ্ঞান আছে, ঠিক; কিন্তু সংসাৰৰ ইটো-সিটো-বহুতো সৰুসুৰা কথাৰ আও-ভাও মই একোকে নাজানো। সেই কাৰণেহে মই নিজৰ জ্ঞানৰ অগোচৰে বহুতৰে দুখ-বেদনাৰ হেতু হৈছিলোঁ। একাধিক কাৰণত মোৰ মাজত যি অহংকাৰে মূৰ দাঙি উঠিছিল, সুযোগ্য মহামন্ত্ৰী মাৰ্তণ্ড আৰু প্ৰকৃত শিল্পী মল্হান্‌চাৰিয়ে মোৰ সেই অহংকাৰৰ অসাজী টোপোলাটোক উদঙাই দিয়াত মই উপকৃত হৈছোঁ, আৰু কৃতজ্ঞ বোধ কৰিছোঁ এওঁলোকৰ ওচৰত।"

তাত উপস্থিত থকা সকলোটিয়েই হতবাক হৈ ৰুদ্ৰাক্ষৰ ৰগত ধৰা কথাবোৰ শুনি থাকিল। ৰুদ্ৰাক্ষয়েই পুনৰ ক'লে, "এতিয়াহে মই উপলব্ধি কৰিব পাৰিছোঁ যে—এই ৰাজপ্ৰাসাদত মই সম্পূৰ্ণ অপ্ৰয়োজনীয়। ইয়াত—দৰাচলতে মোৰ কোনো কামেই নাই। মোৰ প্ৰকৃত কাম যে কী, আৰু ক'ত—এতিয়া উপলব্ধি হৈছে। মহাৰাজ, মোক আপুনি বিদায় দিয়ক। মই তীৰ্থলৈ ওলাম। তীৰ্থে তীৰ্থেহে হ'ব মোৰ ধাম, আৰু কাম।"

পাছদিনা বোৰাৰী পুৱাতেই ৰাজগুৰু ৰুদ্ৰাক্ষই গুৰুপাকী ৰাজসুখ পৰিত্যাগ কৰি তীৰ্থ পৰিক্ৰমালৈ ওলাই পৰিল।

বেফাই-বেবনি

এখন গাঁৱত আছিল এখন বাগিচা। বাগিচাখন আছিল মস্ত ডাঙৰ। তাত বিধোবিধ গছ, আৰু বিধে বিধে ফল। এই মস্ত বাগিচাখনৰ এচুকত এজন সাধু আছিল পঁজা সাজি। এই সাধুজনৰ আছিল অনেক শিষ্য। শিষ্যসকলে আধ্যাত্মিক আৰু পাৰলৌকিক বিষয়েহে সাধুৰপৰা সদায় উপদেশ-নির্দেশ লৈছিল।

সাধুগৰাকীৰ শিষ্যসকলৰ মাজত এজন শিষ্য আছিল বেপাৰী। এই বেপাৰীটো আছিল বৰ লোভী। হাজাৰ হাজাৰ টকা আয়-উপার্জন কৰিও লোকৰ আঙুলিত জুই দি খোৱাৰ স্বভাৱ এই বেপাৰীটোৱে এৰিব পৰা নাছিল। আৰু সি আছিল বৰ কৃপণ। সি কোনোদিনে তাৰ কোনো বন্ধু-বান্ধৱ, আত্মীয়-স্বজনক ভুলতো নিমন্ত্রণ নকৰিছিল। ধর্ম-কর্ম বা আন কোনো বিষয়তো সি সক্রিয়ভাৱে ভাগ নলৈছিল। সদায় তাৰ মূৰত যেনিবা চিন্তাৰ গধুৰ বোজা। সাধুবাবাই তাক মাজে-মধ্যে সুধিছিল, "হেৰাহে বেবাইৰাম, তোমাৰ মুখত হাঁহিৰ পোহৰ নেদেখোঁ কিয়?"

বেপাৰী বেবাইৰামে কৈছিল, "মইনো কি সুখেৰে হাঁহিম, প্রভু? মোৰ জীৱনত আনন্দ নাই। মোৰ দুখৰ খবৰ কোনেও নলয়। ইমান যে দিনে-নিশাই খাটি মৰিছোঁ—তথাপি মোৰ অভাৱ নুগুচে।"

সাধুৱে তাক দুশ্চিন্তা কৰিবলৈ মানা কৰিছিল। তেওঁ কৈছিল, "চোৱাঁ বোপা, তোমাতকৈয়ো দুখীয়া মানুহ ঢেৰ আছে। সিহঁততকৈ তো তুমি সুখে-সন্তোষে আছা। তোমাতকৈয়ো ঢেৰ দুখীয়াহঁতেও বাৰু



নাহাঁহেনে? সিহঁতৰ মাজত আনন্দৰ সোঁত বৈ যোৱা দেখা নাইনে কেতিয়াবা?"

এইবোৰ কথাৰে সাধুৱে বেবাইক বুজনি দিয়া সত্বেও বেবায়ে বেবাইছিলহে।

এদিন সাধুবাবা অসুস্থ হৈ পৰিল। অসুস্থত অৱস্থাত প্ৰতিজন শিষ্যকে দেখাৰ মন গ'ল সাধুবাবাৰ। সাধুবাবাই তেওঁৰ শিষ্যসকলক ক'লে, "এই মৰ্ত্যভূমি এৰি এইবাৰ গুচি যাব লাগিব যেন পাইছোঁ। তোমালোক সুখতে থাকাঁ, এই কামনা কৰিছোঁ। তোমালোক সদায় ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবা, ঈশ্বৰৰ সাধনা কৰিবা। কোনোবাই যদি কিবা সুধিবা ভাবিছা—মোক সুধিব পাৰা।"

সাধুৰ কথা শুনি শিষ্যহঁত উচুপি থাকিল। সকলো শিষ্যই নীৰৱে সাধুক প্ৰণাম কৰিলে, আশীৰ্বাদ ভিক্ষা কৰিলে। কিন্তু লুভীয়া বেপাৰী বেবাইৰামে সাধুবাবাক ক'লে, "প্ৰভু, মই যি কথা সুধিম, বা যি খুজিম আপোনাৰপৰা' মোক দিব বুলি ক'লেহে ক'ম মই।"

সময় যে আৰু বৰ বেছি নাই—সেই কথা উমানতে বুজি পাই সাধুবাবা বেপাৰীৰ প্ৰস্তাৱত সন্মত হ'ল। তেতিয়া বেপাৰীৰ বেবায়ে ক'লে, "প্ৰভু, আপুনি অলৌকিক ক্ষমতাৰ অধিকাৰী বুলি আপোনাৰ এজন শিষ্যই মোক কৈছিল। আপুনি হেনো লো-ক সোণলৈ ৰূপান্তৰিত কৰিব পাৰে। এই মন্ত্ৰফাকি মোক শিকাই দিয়ে যদি—মই হাঁহিম।"

মৃত্যুপথযাত্ৰী সাধুবাবাই বেবইৰামলৈ বেবুৰা লাগি চাই লাহে লাহে ক'লে, "এই কথা তোমাক কোনে ক'লে, বোপাই? এটা কথা মনত ৰাখিবা, যাৰ আয় যিমান বেছি, চিন্তাও তাৰ সিমানেই বেছি। সেই দেখি কওঁ, তুমি সদায় হাঁহি-মাতি কটাব পৰা কিবা এটা মোৰপৰা খুজি ল'ব পাৰা।"

বেপাৰী বেবায়ে বেবালে, "ওহোঁ প্ৰভু,

সেইটো নহৈছে। আপুনি লোহাক সোণ কৰিব পৰা মন্ত্ৰফাকি শিকাই দিয়ক।”

এনে অবচনকাৰীক যে সৎ বচনেৰে শুধৰাব নোৱাৰি—সেই কথা ভাবি, তাক তৎমুহূৰ্ত্ততে তাৰপৰা খেদিবৰ মনেৰে সাধুৱে তাক একাকি মন্ত্ৰ শিকাই দিলে আৰু ক'লে, “যিকোনো লো'ৰ টুকুৰাত ধৰি এইফাকি মন্ত্ৰ এশবাৰলৈ আওৰালেই সেই লো সোণলৈ পৰিৱৰ্ত্তিত হ'ব।

তাৰ পাছত সাধু স্বৰ্গী হ'ল। শিষ্য-সকলৰ বুকু জুৰাবৰ ঠাই নোহোৱা হ'ল। কিন্তু বেপাৰীৰ বেবাইৰামৰ মুখত বেলেগ বোল ধৰিলে।” বেবাইৰামৰ আও-ভাও চাই অন্যান্য শিষ্যই পৰস্পৰৰ মাজত কোৱাকুই কৰিবলৈ ধৰিলে: আমাৰ গুৰুৱে নিশ্চয় বেবাইক ঈশ্বৰ-দৰ্শনৰ কিটিপ শিকাই দিলে। নহ'লে—যিটোৰ মানুহৰ মুখ সদায় টেমী যেন হৈ থাকে, সিনো ইমান ৰঙতে নাচিছে কেনেকৈ? এই লুভীয়া বেবাইৰামক গুৰুৱে ইমান ভাল পাই পেলালে—আৰু আমাক তেওঁ একোৱেই নিশিকালেনে!

তাৰ পাছত লো কিনিবলৈ বেবাইৰাম গ'ল বজাৰলৈ। ভালেকেইখনমান দোকানত দৰ-দাম কৰি বেবাইৰামৰ ধাৰণা হ'ল যে লোৰ দাম বৰ বেছি, ইমান দামেৰে লো কিনিলে পাছত লো-ৰেই লোতক হ'বগৈ। সাত দিনৰ



মূৰকত সি পুনৰ লোৰ দোকানলৈ গ'ল। একেই। আগৰ দামেই আছে। তেতিয়া সি ভাবিলে: লো—নিকিনিলেও তো নহ'ব। এটা কাম কৰা যাওক। মামৰে ধৰা লো কিনিলেও হ'ব; কিয়নো, সোণ তো মামৰে ধৰা নহ'ব। কিন্তু মামৰে ধৰা লো-ৰ দামো অতিপাত চৰা যেনহে লাগিল তাৰ। আৰু তাৰ পাছত, এদিন লোৰ দাম বজাৰত অতি কম হৈ পৰাৰ খবৰ পাই বেবায়ে বাঘে খেদা লৰ দি বজাৰ পালেগৈ। গৈ, তল-ওপৰখন লগাই, ধমাধম লো কিনি থাকিল। আৰু কিনি লৈ ৰংমনে ঘৰলৈ ঘূৰি আহিল সি।

ঘৰলৈ ঘূৰি আহি সি ভাবিলে: ইমান এপাহাৰ লো যেতিয়া সোণ হৈ যাব—থ'মনো ক'ত? চোৰ-ডকাইতৰ চকুত নপৰাকৈ থ'ব তো লাগিব। ভাবি ভাবি আন কোনো ঠাই উলিয়াব নোৱাৰি, ঘৰতে লুকুৱাই থোৱাটোকে থিৰাং কৰিলে সি। কিন্তু তাৰ ঘৰটো আছিল তেনেই জহি-খহি পৰোঁ পৰোঁ-বিধৰ। গতিকে — সোণৰ দ'মটো ঠিকেঠাকে থ'বলৈ ঘৰটো সি মেৰামতি কৰালে। ঘৰটোৰ মেৰামতিত ইমান ধন খৰচ হ'ল যে তাৰ কামীহাড়বোৰ গুড়ি হৈ যোৱা যেন পালে সি।

তাৰ পাছত এদিন বেবাইৰাম বহিল লো-ক সোণলৈ পৰিৱৰ্তিত কৰা মন্ত্ৰ মাতিবলৈ। কিন্তু ইতিমধ্যে—সস্তা দামৰ লো-ৰ কথা চিন্তা কৰি কৰি সি মন্ত্ৰ-ফাকিয়েই পাহৰি আছিল। হাজাৰ চেষ্টাতো সঠিককৈ মনত পেলাব নোৱাৰিলে মন্ত্ৰফাকি। খঙতে সি বলিয়াহেন হৈ উঠিল। কিন্তু মন্ত্ৰফাকি তাৰ আৰু মনত নপৰা হ'ল।

তাৰ পাছত লোভী বুৰ্বক বেবাইৰামে ওৰে জীৱন ধৰি মামৰে ধৰা লো-ৰ দ'মৰ মাজত দেওলগাটো হৈ কটাইছিল।

১৬

ৰুদ্ৰপুৰৰ ৰজা শিৰসিংহই চন্দ্ৰবৰ্মাক ধনে-জনে সহায় কৰিলে কাঁহৰ কিল্লালৈ যাবলৈ। চাৰিগৰাকী বছা বছা ৰাজকৰ্মচাৰী আৰু সামান্য সংখ্যক সৈন্য, কিছুমান গাধ, কিছুমান উট আৰু লগত দেৱলকো লৈ চন্দ্ৰবৰ্মা আগবাঢ়ি গৈ থাকিল কাঁহৰ কিল্লালৈ বুলি। হঠাৎ বহু দূৰৰপৰা এখন নগৰ দেখা পাই তেওঁলোক তালৈকো গ'ল। এইখন নগৰৰ নাম আছিল বীৰপুৰ। কিন্তু নগৰখন একেবাৰে নিমাওমাও, একেবাৰে মৃত। আৰু তাৰ পাছত……

বীৰপুৰ অতিক্ৰমি কিছু দূৰলৈ আগবাঢ়ি যোৱাৰ অন্তত এলানি অতি ওখ পৰ্বতে কাঁহৰ কিল্লালৈ বুলি ওলোৱা অভিযাত্ৰী-সকলক আগচি ধৰিলে। এই পৰ্বত পাৰ হৈ সিপাৰলৈ যোৱাটো যে তেনেই কষ্টসাধ্য—সেই কথা অনুধাৱন কৰি চন্দ্ৰবৰ্মাই ভাবিলেঃ এই উটবিলাকক লৈ এই পৰ্বত বগাই সিপাৰ পাবগৈ নোৱাৰি। এই কথা ভাবি চন্দ্ৰবৰ্মাই তেওঁৰ লগৰীয়াসকলক ক'লে, "খাদ্য-

লৈ যোৱা আৱশ্যক, নহ'লে একদম আগ নবঢ়াটোহে ভাল হ'ব।"

"চাওক, আমি বিভিন্নভাৱে পাহাৰ বগাব পাৰিম; কিন্তু এইবোৰ জন্তুৰে কেনেকৈ পাৰিব? এতেকে—ইহঁতক, আৰু কিছুখিনি খাদ্য ইয়াত এৰি থৈ যাব লাগিবই।" চন্দ্ৰবৰ্মাই দৃঢ়তাৰে ক'লে।

ৰাজকৰ্মচাৰী চাৰিজনৰ বাহিৰে আন সকলোটি চন্দ্ৰবৰ্মাৰ কথাত সন্মত হ'ল। গাধবিলাকৰ পিঠিৰপৰা খাদ্যবস্তুৰ সেই টোপোলাবিলাক নমাই লাহে লাহে যেৱে যিমান কঢ়িয়াব পাৰিব সিমানখিনিকৈ লৈ, বেলিয়ে পূবে কণ দিয়াৰ লগে লগেই পৰ্বত বগাবলৈ ধৰিলে। বেলিটো যেতিয়া মূৰৰ পোন হ'ল, তেতিয়া তেওঁলোক এঠাইত বহি ৰন্ধা-বঢ়া কৰি, খাই-বৈ, জিৰণি লোৱাৰ পাছত পুনৰ গৈ গৈ বেলিয়ে লহিউৱাৰ আগে আগে পৰ্বতৰ টিং পালেগৈ।

সামগ্ৰী যিমান পাৰিম আমি কঢ়িয়াই লৈ যাম, বাকীখিনি ইয়াতে এৰি থৈ যাব লাগিব। কিয়নো, আমাৰ এই উট-বিলাককো লগত লৈ আমি একোপধ্যে পৰ্বত বগাব নোৱাৰিম।"

চন্দ্ৰবৰ্মাৰ কথাৰ উত্তৰত ৰাজকৰ্মচাৰী চাৰিওজনে ক'লে, "পৰ্বতৰ সিপাৰে যে কি আছে, আমি ক'ব নোৱাৰোঁ। তাত আন কিবা খাদ্যবস্তু পোৱ যাবনে নাই, তাকো নাজানো। এনে অৱস্থাত উট-বিলাকৰ পিঠিত থকা খাদ্যবস্তুখিনি ইয়াত এৰি থৈ যোৱাত আমাৰ মত নাই। আনকি, আমাৰ মতে, উটবিলাককো লগত

আন সকলোটিতকৈ বহু আগতে চন্দ্ৰবৰ্মাই পৰ্বতৰ টিং পাইছিলগৈ। হঠাৎ এটা দৃশ্য চকুত পৰাত তেওঁ ৰ' লাগি ৰৈ দিলে। পৰ্বতৰ সিপাৰে তেওঁ দেখা পালে এখন বিৰাট নগৰ। এই নগৰখন ওখ ওখ অট্টালিকাৰে ভৰপূৰ। কিন্তু নগৰখনত খেতি-পথাৰো দেখা গৈছিল।

আৰু সেই খেতি-পথাৰবোৰ শস্যেৰে একেবাৰে নদন-বদন হৈ আছিল।

নগৰখনলৈ চাই চাই সকলোটিৰ মনতো প্ৰশ্ন জাগিল: এইখন নগৰ বাৰু কাৰ আমোলৰ? এই নগৰখনৰ নাম কি? এইবোৰ প্ৰশ্নই চন্দ্ৰবৰ্মাৰ মনতো বাৰে বাৰে খুন্দিয়াইছিল।

এনেতে সেই চাৰিজন ৰাজকৰ্মচাৰী মাজৰপৰা এজনে চন্দ্ৰবৰ্মালৈ চাই কৈ উঠিল, "এই নগৰখন নিশ্চয় শিৰপুৰেই হ'ব। আপুনি কি কয়? নহ'বনে শিৰপুৰ? মই কৈছোঁ শিৰপুৰ।"

"কেনেকৈনো জানিলা তুমি? তুমি কোনোবাদিনা শিৰপুৰলৈ গৈছিলা জানো? নগ'লে জানিবাইবা কেনেকৈ? ঠিক আছে এতিয়া—শিৰপুৰ সম্পৰ্কে যি জানা কোৱাচোন শুনো।" চন্দ্ৰবৰ্মাই ক'লে।

"কওঁ বাৰু। মই এইখন শিৰপুৰত কিছুদিনৰ আগতে এমাহমান আছিলোঁগৈ। এই দেশখন হ'ল আমাৰ ৰুদ্ৰপুৰৰ পচিমত অৱস্থিত এখন দেশ। এই দেশৰ সীমাতে আছে এখন বিৰাট মৰুভূমি। এইখন নগৰৰ—শিৰপুৰৰ ৰাজপ্ৰতিনিধিগৰাকীৰ নামো জানো মই। তেওঁৰ নাম হ'ল বীৰমল্ল। আনকি তেওঁৰ লগত মোৰ সুসম্পৰ্কো নথকা নহয়।" এই কৰ্মচাৰী-

জনে চন্দ্ৰবৰ্মাক ক'লে।

"তেনেহ'লে—" চন্দ্ৰবৰ্মাই সন্দিগ্ধ চাৱনিৰে কৰ্মচাৰীজনলৈ চাই ক'লে, "তুমি শিৰপুৰলৈ যোৱাৰ বাট-পথ নিশ্চয় জানা। কথাটো আগতে নক'লা কিয় আমাক?"

কৰ্মচাৰীজনে থতমত খাই ক'লে, "আগতে তালৈ যাওঁতে আন বাটেদিহে গৈছিলোঁ। ৰুদ্ৰপুৰৰপৰা শিৰপুৰলৈ যোৱাৰ আন বাটো যে আছে—সেই কথাত মই নিশ্চিত। পিছে—সেই বাটছোৱা মই একদম পাহৰি পেলালোঁ।"

হঠাৎ সেই নগৰখনৰপৰা তূৰ্য্যধ্বনি শুনা গ'ল। সৈন্যবিলাকে ৰণ-শিঙা

বজাবলৈ ধৰিলে, লগতে ডডম্ ডডম্‌কৈ ডংকাও বাজি উঠিল। আৰু লগে লগে ধনু-কাঁড় আৰু যাঠি-জোঙৰে সৈতে কিছু-মান সৈন্যই চন্দ্ৰবৰ্মা আৰু তেওঁৰ অনুচৰ-সকলৈ ৰণ দিয়াৰ দৰে তালে তালে আগুৱাই অহা দেখা গ'ল।

শিৰপুৰৰ ৰজাই যে তেওঁলোকক শত্ৰু বুলি ভাবি লৈছে—চন্দ্ৰবৰ্মাৰ মনত সেই কথাত আৰু সংশয় নাথাকিল। এনে অৱস্থাত আগবাঢ়ি গৈ থাকিলে যে বিপদে মোৰ বুলিব তাতো সন্দেহ নাই। এইবোৰ কথা ভাবি চন্দ্ৰবৰ্মাই তৎক্ষণাৎ শ্বেত পতাকা দাঙি ধৰিলে সন্ধিৰ তথা শান্তিৰ প্ৰতীক চিন হিচাপে।

চন্দ্ৰবৰ্মাই দাঙি ধৰা শ্বেত পতাকা দেখা পাই শিৰপুৰীয়া সৈন্যইঁতৰ থকা-মকা লাগি গ'ল। অলপ পৰলৈ স্থিৰ হৈ থকাৰ অন্তত দীঘলহতীয়া সৈন্য এজনে চন্দ্ৰবৰ্মালৈ টোঁৱাই কাঁড় এপাট এৰিলে। কাঁড়পাট চন্দ্ৰবৰ্মাৰপৰা অলপমান আঁতৰত মাটিত বিন্ধিলহি। চন্দ্ৰবৰ্মাই দেখিলে যে কাঁড়পাটৰ লগত এখিলা কাগজো বন্ধা আছে। চন্দ্ৰবৰ্মাই কাগজখিলা লৈ পঢ়ি চালে। তাত যিবোৰ কথা লিখা আছিল, তাৰ সাৰমৰ্ম হ'ল এয়ে যে—চন্দ্ৰবৰ্মাই নিজৰ নাম, ঠিকনা আক শিৰপুৰলৈ অহাৰ কাৰণ লিখি জনাওক। যদি এই অনুৰোধ তথা আদেশ অমান্য কৰা হয়,

তেনেহ'লে চন্দ্ৰবৰ্মা আৰু তেওঁৰ অনুচৰ-হঁতকো মাৰি পেলোৱা হ'ব।

কাঁহৰ কিল্লালৈ বুলি ওলোৱাৰ আগে আগে ৰুদ্ৰপুৰৰ ৰজা শিৰসিংহই চন্দ্ৰবৰ্মাক এখন ৰাজকীয় অনুমতিপত্ৰ দিছিল। সেই অনুমতিপত্ৰখন কাঁড়ৰ লগত সাঙুৰি চন্দ্ৰবৰ্মাই শিৰপুৰীয়া সৈন্যহঁতলৈ যুৰৰাজ তৎক্ষণাৎ মাৰি পঠালে।

এই অনুমতিপত্ৰ পঢ়াৰ পাছত শিৰপুৰীয়া সৈন্যহঁতৰ মাজত আনন্দৰ জোৱাৰ বৈ যোৱা পৰিলক্ষিত হ'ল। আৰু তেতিয়াহে চন্দ্ৰবৰ্মাই অনুচৰহঁতকো লগত লৈ পাহাৰৰপৰা নামিবলৈ ধৰিলে। তেওঁলোক যিমানে নামি গৈ থাকিল, শিৰপুৰীয়া সৈন্যহঁতৰ মাজত আনন্দৰ ৰোল সিমানেই বাঢ়িবলৈ ধৰিলে।

পৰ্বতক পিছ পেলাই, ভৈয়ামলৈ নামি আহি অলপমান আগুৱাই যোৱাৰ পাছত শিৰপুৰীয়া সৈন্যহঁতৰ মাজত কিছুমানে সুশৃংখলভাৱে আগুৱাই আহি চন্দ্ৰবৰ্মা আৰু তেওঁৰ লগৰীয়াসকললৈ আদৰণি জনালে। এই সৈন্যহঁতৰ নেতাজনলৈ চাই চন্দ্ৰবৰ্মা বাক্যহাৰা হৈ পৰিল। কিয়নো, এইজন সেনাপতি আছিল চন্দ্ৰবৰ্মাৰ বিশ্বস্ত অনুচৰ—সুবাহু!

চন্দ্ৰবৰ্মাই যেনিবা নিৰাশাৰ কঠিন এন্ধাৰত আশাৰ কোমল পোহৰ পোৱা হ'ল। তেওঁ যন্ত্ৰচালিতৰ দৰে আগুৱাই

গৈ, সুবাহুৰ হাত এখন নিজৰ দুখন হাতৰ মাজত ভৰাই লৈ, সানন্দে নমস্কাৰ কৰি ক'লে, "হে শিৱপুৰৰ সেনানায়ক, অসংখ্য ধন্যবাদ। শিৱপুৰৰ ৰাজপ্ৰতিনিধি বীৰমল্লৰ সৈতে সাক্ষাৎ কৰাৰ মোৰ বৰ অভিলাষ। তেওঁৰ লগত কিছুমান জৰুৰী কথা আছে মোৰ।"

"আপোনাৰ অভিলাষ নিশ্চয় পূৰ্ণ হ'ব, চিন্তা নকৰিব। পিছে—প্ৰথমতে খোৱা-লোৱা কৰক, তাৰ পাছত জিৰণি লওক, তাৰ পাছত, জিৰণিৰ অন্তত ৰাজপ্ৰতিনিধিৰ লগত সাক্ষাৎ কৰিব পাৰিব।" এই বুলি কৈ; সুবাহুৰে সকলোটিৰ স্নানাহাৰৰ বা-বন্দবস্ত কৰিলে।

আন সকলোটি গা ধুবলৈ যোৱাৰ পাছত সুবাহুৰে এছেগতচন্দ্ৰবৰ্মাক ক'লে, "মহাৰাজ, মই অত্যন্ত ভাগ্যৱান! মই আপোনাক আকৌ কেতিয়াবা লগ পাম বুলি ভবাই নাছিলোঁ। আমি ঘৰলৈ গৈহে বিস্তাৰিত আলোচনা কৰিম। ইয়াত অধিক পৰলৈ কথা পতাটো ভাল নহ'ব পাৰে।" এই বুলি কৈ, যুৱৰাজ চন্দ্ৰবৰ্মাক লগত লৈ, সুবাহুৰে তাৰ ঘৰলৈ বুলি খোজ ল'লে।

সুবাহুৰ ঘৰত বহি সকলো কথা বিস্তাৰিতভাৱে শুনাৰ অন্ততহে চন্দ্ৰবৰ্মাই গোটেই পৰিস্থিতিটোৰ ধাৰণা এটা ল'ব পৰা হ'ল। সৰ্পকেতুৰ সৈন্যহঁতৰ কবলৰপৰা মুক্তিলাভৰ আশাৰে তীব্ৰস্ৰোতা পৰ্বতীয়া নৈৰ বুকুত জাঁপ দিয়াৰ পাছত বহু কষ্টেৰে সুবাহুৰে পাৰ পাইছিলহি। তাৰ পাছত, বহু দুৰ্গম পথ অতিক্ৰমি এক পাৰ্বত্য অঞ্চলত সুবাহুৰে ধীৰমল্লকো লগ পাইছিল। সৰ্পকেতুৰ লগত শেষ যুদ্ধত ধীৰমল্ল সম্পূৰ্ণৰূপে পৰাজিত হৈছিল। তাৰ পাছত সুবাহু গভীৰ অৰণ্যলৈ পলাই গৈছিল। কিছুদিনৰ অন্তত সুবাহু আৰু ধীৰমল্লয়ো ৰুদ্ৰপুৰৰ ৰজা শিৱসিংহৰ অধীনত চাকৰি ল'লে। ৰজা শিৱসিংহৰ

নির্দেশমতেই সুবাহু আৰু ধীৰমল্ল শিরপুৰলৈ আহিছিল। ইয়াত থকাৰ ফলত সিহঁত সিয়নিয় শোৰা সৰ্পকেতুৰ কবলৰপৰা কথমপি ৰক্ষা পৰিব পাৰিছিল।

সুবাহু আৰু ধীৰমল্লৰ কথা শুনাৰ অন্তত চন্দ্ৰবৰ্মায়ো তেওঁৰ কাহিনী ক'লে এওঁলোকক। চন্দ্ৰবৰ্মায়ো নৈৰ বুকুলৈ জঁপিয়াই পৰিছিল। তাৰ পাছতে এটা এটাকৈঘটনা বিবৰি ক'লে তেওঁ। উভয় পক্ষৰ এইবোৰ কথাৰ অন্তত চন্দ্ৰবৰ্মাই ক'লে, "আৰু সম্ভহতে মই কাঁহৰ কিল্লালৈ বুলি ওলাইছোঁ। যেনেতেনে এই দুৰ্গটো বিচাৰি উলিয়াবই লাগিব।"

কাঁহৰ কিল্লাৰ নাম শুনিয়েই সুবাহুৰ মন নাচি উঠিল। সি আনন্দৰ আৱেগৰে উটি গৈ থাকি ক'লে, "মহাৰাজ, আমাৰ দুখৰ দিন শেষ হ'ল বুলি মোৰ ধাৰণা। এইবাৰ আমাৰ সুদিন। আচলতে ধীৰমল্ল এতিয়া এইখন দেশত নায়েই। ধীৰমল্ল যে ইয়াত নাই, সেই কথা গুপুতে ৰখা হৈছে। সৰ্পকেতু যে তাৰ বিৰাট সৈন্যবাহিনীৰে সৈতে কাঁহৰ কিল্লালৈ বুলি ওলাইছে, আমি বিশদভাৱে জানো। তাৰ সৈন্যবলৰ উমান লৈ, কিছুমান বছা বছা সৈন্য লগত লৈ সৰ্পকেতুক সসৈন্যে খতম কৰিবলৈ আমাৰ বীৰ ধীৰমল্লই দুদিনৰ আগতে ওলাল।"

সৰ্পকেতুৰ নামটো শুনিয়েই চন্দ্ৰবৰ্মাই উদ্বিগ্ন হৈ কিবা এটা সুধিবলৈ ধৰোঁতেই সুবাহুৱে তেওঁৰ মনোভাৱ ঠাৰৰ কৰিব পাৰি ক'লে, "মহাৰাজ, সম্ভহতে সৰ্পকেতু কেৱল বীৰপুৰৰে ৰজা নহয়, সমগ্ৰ মাহিষ্মতীৰ সম্ৰাট। সম্ৰাট যশোবৰ্ধনৰ মৃত্যুৰ পাছত তেওঁৰ জ্যেষ্ঠপুত্ৰ তপোবৰ্ধন বৈৰাগী হৈ ৰাজ্য এৰি গুচি গ'ল। তেতিয়া, সহায় কৰাৰ অছিলাত, গুণবৰ্ধনৰ সৈতে মিতিৰালি পতাই, কপট সম্পৰ্কেৰে ভুৰুকাই, চক্ৰান্ত কৰি, সৰ্পকেতুৱে গুণবৰ্ধনক হত্যা কৰি সমগ্ৰ মাহিষ্মতীৰ

একচ্ছত্ৰী সম্ৰাট হ'ল।"

"ইমান ডাঙৰ দেশ এখনৰ সম্ৰাট হৈয়ো সি আকৌ কাঁহৰ কিল্লালৈ ওলাল!" চন্দ্ৰবৰ্মাই অবাক হৈ প্ৰশ্ন কৰিলে।

"সৰ্পকেতুৰ কেৱল ধন-লোভেই নহয়, দেশৰ সীমা বঢ়োৱাৰ, অৰ্থাৎ আনৰ ৰাজ্য প্ৰতিও যথেষ্ট লোভ আছে। যি কি নহওক, সৰ্পকেতুৱে যে শিৰপুৰ আক্ৰমণ কৰা নাই, তাকো ভাগ্য বুলিহে ক'ব লাগিব। আমাৰ চোৰ-চৰিয়াবিলাকে বহু দিন ধৰি সৰ্পকেতুৰ পম খেদি ফুৰিছিল। সৰ্পকেতু কাঁহৰ দুৰ্গলৈ বুলি ওলোৱাৰ কথাটোও সিহঁতেই ক'লে।"

সুবাহুৱে ক'লে, "আৰু—"

সুবাহুৰ কথা নৌশেষ হওঁতেই এজন কটকীয়ে তাৰ হাতত এখন পত্ৰ দিলেহি। সুবাহুৱে পত্ৰখন পঢ়ি, হতভম্ব হৈ পত্ৰখন চন্দ্ৰবৰ্মাক পঢ়িবলৈ দিলে।

চন্দ্ৰবৰ্মাই পত্ৰখন পঢ়ি চালে। পত্ৰখনত ধীৰমল্লই লিখিছে:

'মই শিৰপুৰৰ উত্তৰ দিশত অৱস্থিত মৰুভূমিত সৰ্পকেতুক আক্ৰমণ কৰিম বুলি ভাবিছিলোঁ। কিন্তু ধূৰ্ত সৰ্পকেতুৱে আমাক প্ৰচণ্ডভাৱে আক্ৰমণ কৰিবলৈ ধুমুহাৰ দৰে আগুৱাই আহিব ধৰিছে। গতিকে—মই বাধ্যত পৰি পুনৰ শিৰপুৰলৈ উভতি যাব ধৰিছোঁ। বাটত যদিহে কিবা বিপদে দেখা দিয়ে—সিহেতুকে সুবাহুৱে কিছুমান সৈন্যৰে সৈতে এই-ফাললৈ আহি থাকিলে ভাল হ'ব।'

চিঠিখন পঢ়া শেষ হ'লত সুবাহুৱে চন্দ্ৰবৰ্মাক ক'লে, "বেছ বেমেজলীয়া কথা হ'লগৈ। এতিয়া, ধীৰমল্লক খেদা দি যদি সৰ্পকেতু শিৰপুৰ পায়হি, তেনেহ'লে সি নিশ্চয় এই দেশৰ ওপৰতো আক্ৰমণ নকৰাকৈ নাথাকে। যি কি নহওক— এতিয়া ধীৰমল্লৰ সাহায্যাৰ্থে সসৈন্যে আগবাঢ়ি যাবই লাগিব।" [অহা সংখ্যাত

তাৰ নাম ভালপোৱা

আকৌ প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, পুনৰ তেওঁ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তোমাৰ নিশাচৰী শ্ৰমৰ মূল্য কিবা পাবানে নোপোৱা, ক'ব নোৱাৰোঁ। পিছে—জগতখন যে কেৱল সৎ বা ভাল মানুহৰ বাবে—তেনেকুৱা নাভাবিবা। জগতত বিশেষ বিশেষ অৱস্থাত পৰি আনকি মহা সৎ মানুহেও পায়ো হেৰুৱায়। এই বিষয়ে মই তোমাক ধীৰচন্দ্ৰৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি গৈ থাকিলে, পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

এদিন কৌমুদী নামৰ এগৰাকী নাগ-

'বেতাল-কথা'

কন্যাই তাইৰ জীৱনত প্ৰথম বাৰৰ বাবে পাতালৰপৰা ওলাই মানৱীৰ ৰূপ ধৰি ফুৰি থাকোঁতে ভূলোকৰ ভুৱনভুলোৱা পৰিবেশলৈ লক্ষ্য কৰি কৈ উঠিল, "সঁচা, মানুহ যে কিমান ভাগ্যৱান!" কৌমুদীয়ে তাত এজন যুৱকক দেখা পালে। এই যুৱকেই আছিল ধীৰচন্দ্ৰ।

এই সময়ত ধীৰচন্দ্ৰহঁতৰ পৰিয়ালখন সংগতিসম্পন্ন আছিল। তাৰ পাছত এদিন অৱস্থা বেয়া হ'ল। ধীৰৰ মাকৰ অসুখ হ'ল, কিন্তু ধনৰ অভাৱত ভাল এজন চিকিৎসককো দেখুৱাবলৈ নহ'ল। একে-লেথাৰীয়ে কেইবছৰমান খৰাং বতৰে কোবাই যোৱাত আ-অৱস্থা নিদাৰুণ বেয়া হৈ পৰিল। ধাৰৰো উপৰি ধাৰলৈ টকা লোৱাত ধীৰচন্দ্ৰহঁত ধাৰত পোত খাই পৰিল। তাৰ পাছত, পাওনাদাৰহঁতৰ তাগিদা অসহনি হোৱাত ছমাহমানৰ আগতে ঘৰ-দুৱাৰ এৰি পলাই গ'ল।

নিৰুপায়ত পৰি ধীৰচন্দ্ৰই নিজৰ চৌধ্যপুৰুষ ভিটাখন বেচিবলৈ বাধ্য হ'ল। আৰু ঠিক সেই নিশাতে, তাৰ ঘৰত চোৰ সোমাল। আৰু চোৰে ভিটা-বেচা টকাখিনি লৈ গ'ল। কিনোতাই ধীৰচন্দ্ৰক সাতদিনৰ ভিতৰতে ঘৰ এৰি গুচি যাবলৈ ক'লে। কিন্তু ছদিনৰ দিনাও ধীৰচন্দ্ৰই ভাবি উলিয়াব নোৱাৰিলে যে অসুখীয়া মাকক লৈ সি যায় ক'লৈ।

অসুখীয়া মাক আৰু টকাৰ অভাৱ তো আছিলেই—এতিয়া ভূতৰ ওপৰত দানহ পৰাদি পৰিলহি মূৰত আন এটা চিন্তা—আশ্ৰয়। ৰাতিটো পুৱালেই ঘৰটো এৰি দিব লাগিব। এনে অৱস্থাত ধীৰচন্দ্ৰ আমন-জিমন হৈ নৈৰ পাৰত বহি আছিল। নাগকন্যা কৌমুদীয়ে কৈ উঠিল, "মতা মানুহ কিমান যে ধুনীয়া!"

কৌমুদীয়ে ধীৰচন্দ্ৰলৈ চাই ৰ'ল বহুতোপৰলৈকে; কিন্তু ধীৰচন্দ্ৰই এইবোৰ কথাৰ একো-এটাও নাজানিছিল।



হঠাৎ নাগকন্যাৰ মাত শুনি ধীৰচন্দ্ৰ উচপ খাই উঠিল। সি নাগকন্যাক সুধিলে, "তুমি কোন ? তোমাৰ নাম কি ?"

"মোৰ নাম কৌমুদী। মই নাগকন্যা। তোমাক বৰ চিন্তিত যেন পাইছোঁ। তোমাৰ কি হৈছে ক'বানে মোক ? ইমান আমন-জিমন হৈ বহি আছা কিয় ?" সেই নাগকন্যাই সুধিলে।

তেতিয়া ধীৰচন্দ্ৰই নাগকন্যাক সকলো কথা ক'লে। সকলো ঘটনা শুনাৰ অন্তত নাগকন্যাই ধীৰচন্দ্ৰক ক'লে, "তোমাক মই ভাল পাই পেলাইছোঁ। তুমি মোৰ লগত নাগলোকলৈ যাবানে ?"

অবাক হৈ ধীৰচন্দ্ৰই ক'লে, "মোৰ কথা শুনিলাই দেখোন! এনে অৱস্থাতে মই যাওঁনো কেনেকৈ ?"

নাগকন্যা কৌমুদীয়ে ক'লে, "তোমাৰ প্ৰতিটো সমস্যাৰ গুৰিত ধনৰ অভাৱ। মই তোমাক তোমাৰ ইচ্ছামতে সোণ দিব পাৰোঁ, পাচিয়ে পাচিয়ে সোণ। তুমি ইয়াতে অলপ পৰলৈ ৰৈ থাকাঁ, মই এতিয়াই আহিম আকৌ।" এই বুলি কোৱাৰ লগে লগে নাগকন্যা চকুৰ পচাৰতে নোহোৱা হৈ পৰিল।

তাত নাগকন্যাৰ চিন-মোকাম একো নেদেখি ধীৰচন্দ্ৰ ভেবা লাগিল। সকলো কথা-কাণ্ড সপোন সপোন যেন লগা হ'ল। কিন্তু চাওঁতে চাওঁতে নাগকন্যা কৌমুদী পুনৰ ওলালহি তাত। তাই ধীৰচন্দ্ৰৰ হাতত ডাঙৰ টোপোলা এটা দিলে। টোপোলাটোত কেৱল সোণেই নাছিল, মণি-মুকুতাও ঠাহ খোৱা আছিল।

নাগকন্যাই ক'লে, "এই সোণ-মণি মুকুতা বেচি, সেই টকাৰে তুমি তোমাৰ ধাৰ শুজিবা, তোমাৰ মাৰাৰ বেমাৰ ভাল কৰিবা, আন মানুহকোস হায় কৰিবা। অহা নৱমীৰ দিনা তুমি পুনৰ ঠিক এই ঠাইত বহি থাকিবাহি। নাহা যদি—তোমাৰ একেবাৰে সৰ্বনাশ হ'ব।"



সম্পৰ্কচ্ছেদ কৰাঁ। এই বিষয়ত মোৰ দূৰ সম্পৰ্কীয় দেওৰ শূৰগুপ্তই তোমাক ভাল দিহা দিব পাৰিব, তালৈ যোৱাঁ।"

ধীৰচন্দ্ৰৰ মাকে ধীৰক শূৰগুপ্তৰ ওচৰলৈ পঠোৱাৰ এটা বিশেষ কাৰণ আছিল। শূৰগুপ্ত আছিল অতি স্বাৰ্থপৰ; কিন্তু তাৰ সোণতকৈ জেউতি চৰা বিধৰ ছোৱালী এজনী আছিল। ধীৰচন্দ্ৰহঁতৰ অৱস্থা বেয়া হোৱাত শূৰগুপ্ত যদিও একেবাৰে সিহঁতৰ ঘৰলৈ নহা হ'ল; কিন্তু এতিয়াৰ কথা বেলেগ হ'ব।

ধীৰচন্দ্ৰৰ মাকে কথাটো ঠিকেই ধৰিছিল। শূৰগুপ্তই তাৰ ৰূপৱতী ছোৱালীজনীক ধীৰচন্দ্ৰক দিব খুজিলে। ধীৰচন্দ্ৰৰ এই আকস্মিক সৌভাগ্যৰ গুৰি-কথা শুনাৰ অন্তত শূৰগুপ্তই ধীৰক ক'লে, "তুমি যদি নাগকন্যাৰ লগত সম্পৰ্ক ছেদ কৰিবলৈ বিচাৰিছা, তেনেহ'লে নাগকন্যাক ক'বা যে তোমাৰ মাৰাৰ বেমাৰ ভাল কৰিবলৈ হ'লে নাগমূল আনি দিব লাগিব। আন যিয়েই নানক, এই নাগমূল তাই একোপধ্যে আনি দিব নোৱাৰিব।"

কথা মতে নৱমীৰ দিনা ধীৰচন্দ্ৰ নৈৰ পাৰলৈ গ'ল আৰু ইকথা-সিকথাৰ পাছত পাতালপুৰীৰ নাগকন্যাক নাগমূল লৈ আহিবলৈ ক'লে।

সোণ-মণি-মুকুতাখিনি বেচি ধীৰচন্দ্ৰই একলাখ টকা পালে। সেই টকাৰে সি এটা অট্টালিকা কিনিলে। ঘৰুৱা কাম-বন, তথা মাকক চোৱা-মেলা কৰাৰ বাবে মানুহ এজন ল'লে। ভাল চিকিৎসকৰ দৰব খুৱাই মাকক ভাল কৰি তুলিলে। তাৰ পাছত এদিন ধীৰচন্দ্ৰৰ মাকে ধীৰক সুধিলে, "আমাৰ অৱস্থাৰ ইমান পৰিৱৰ্তন কেনেকৈনো হ'ল—অ' বোপা?"

ধীৰচন্দ্ৰই তাৰ মাকক সকলো কথা ভাঙি-পাতি ক'লে। তেতিয়া তাৰ মাকে ক'লে, "নাগকন্যাৰ সৈতে সম্পৰ্ক ৰখাটো দস্তুৰমত বিপদৰ কথা। তুমি তাইৰ লগত



এই কথা শুনি নাগকন্যাই ক'লে, "চোৰাঁ, মোৰ আয়ুস হ'ল এহেজাৰ বছৰ। তোমাক নাগমূল আনি দওঁ যদি—মোৰ আয়ুস আধা হৈ যাব। তথাপি মই আনি দিম, কিয়নো এই নাগমূলেৰে যিকোনো মানুহৰ যিকোনো বেমাৰ ভাল হৈ যাব।"

নাগকন্যাই নাগমূল আনি দিলে, আৰু সেই নাগমূল খোৱাৰ লগে লগে ধীৰচন্দ্ৰৰ মাক সম্পূৰ্ণ সুস্থ হৈ উঠিল। কিন্তু সুস্থ হোৱা সত্বেও তেওঁৰ মনত একেবাৰে শান্তি নাছিল। তেওঁ শূৰগুপ্তক আকৌ মতাই অনালে।

শূৰগুপ্তই ধীৰচন্দ্ৰৰপৰা সকলো কথা জানি ল'লে আৰু ক'লে, "এইবাৰ তুমি নাগকন্যাক কোৱাগৈ যে তুমি হ'লা তোমাৰ মাৰাৰ কণ্ঠৰ লাখুটি। নাগকন্যাই যদি তোমাৰ দেউতাৰাক বিচাৰি আনিব পাৰে, তেতিয়াহে তুমি যাব পাৰিবা—এই বুলি ক'বাগৈ।"

ধীৰচন্দ্ৰই নাগকন্যাক শূৰগুপ্তই শিকোৱা মতে কথাবোৰ ক'লে। নাগকন্যাই এখন্তেক ভাবি লৈ ক'লে, "তোমাৰ দেউতাৰাক বিচাৰি আনিবলৈ হ'লে মোৰ এশবছৰ আয়ুস কমিব। কমক, তথাপি তেওঁক বিচাৰি আনিম। মই তোমাক ভাল পাওঁ, তোমাৰ কাৰণে প্ৰাণো বিসৰ্জিব পাৰোঁ। —অহা পঞ্চমীৰ দিনা মোৰ লগত নাগলোকলৈ যাবলৈ সাজু হৈ আহিবা।" এই কথা কৈ নাগকন্যা তাৰপৰা গুচি গ'ল।

আৰু সিদিনাই ধীৰচন্দ্ৰৰ নিৰুদ্দেশ হোৱা দেউতাক ঘৰলৈ উভতি আহিল। গিৰিয়েক উভতি অহাত ধীৰচন্দ্ৰৰ মাকৰ মনত ভয়হে হ'ল। তেতিয়া শূৰগুপ্তই আন এটা পৰামৰ্শ আগবঢ়ালে। নাগকন্যাক শূৰগুপ্তই ক'বগৈ যে—বিয়া কৰোৱাৰ পাছত দৰাই কইনাৰ মাকৰ ঘৰলৈ নাযায়, কইনাইহে দৰাৰ ঘৰলৈ আহিব

লাগে, এয়ে নিয়ম। আৰু ধীৰচন্দ্ৰই এইবাৰ সিয়নিত শোৰাশূৰ গুপ্তৰ কথাবোৰ ভাটৌকোৰাদি সহজ-সৰল নাগকন্যা কৌমুদীক ক'বগৈ।

তথাপি যেতিয়া নাগকন্যা মান্তি হ'ল, তেতিয়া সাক্ষাৎ শীতল সন্নিপাত শূৰগুপ্তই ধীৰচন্দ্ৰৰ কাণত ফুচফুচাই কিবাকিবি কৈ দিলে আৰু ক'লে, "এই কথা শুনি নাগকন্যাই তোমাক এৰি গুচি যাবই যাব। এয়া হ'ল একেবাৰে ঘাই আৰু শেষ অস্ত্ৰ।"

বেচেৰা ধীৰচন্দ্ৰই এইবাৰো নাগকন্যাক ভাটৌমতা দিলে। নাগকন্যাই ক'লে, "মই তোমাৰ কথা মতে এইবাৰ মানুহৰ ঘৰত সোমাওঁগে যদি—নাগলোকত আৰু মোৰ ঠাই নহ'ব, মোৰ সকলো শক্তি তেতিয়াই নোহোৱা হ'ব।"

ধীৰচন্দ্ৰই ক'লে, "তোমাৰ অসুবিধাৰ কথাটো মই নুবুজা নহয়। কিন্তু মানুহৰ সমাজৰ বহিৰ্ভূত ৰীতি-নীতি মই কেনেকৈ মানি লওঁ—তাকো ভাবি চোৱাঁ।" আমাৰ মিলন অসম্ভৱ, তুমি মোক ক্ষমা কৰাঁ।"

তাৰ কথা শুনি নাগকন্যাই ক'লে, "চোৱাঁ, মই তোমাক আনকি বলেৰেও লৈ যাব পাৰোঁ পাতাললৈ। কিন্তু তুমি মোৰ মনৰ মানুহ, তেনেকৈ কৰোঁ কেনেকৈ? ঠিক আছে, মই মোৰ সকলো শক্তি বিসৰ্জি তোমাৰ কথাকে মানি ল'লোঁ। এতিয়া যি মন যায় কৰাঁ।"

এইবাৰো ধীৰচন্দ্ৰ শেঁতা পৰিল। তথাপি সি ক'লে, "তোমাৰ নথকা অৱস্থাত যদি মই তোমাক দুখ দিওঁ?"

"চোৱাঁ, মই তোমাক ভাল পাওঁ। তুমি দুখ দিলেও মোৰ সুখ। কিন্তু তুমি কিয় এনেবোৰ কথা কৈছা?" নাগকন্যাই চন্দ্ৰবৰ্মাক সুধিলে।

তেতিয়া ধীৰচন্দ্ৰই শেষ আৰু মোক্ষম অস্ত্ৰপাট এৰিলে। সি সেপ ঢুকি লৈ ক'লে, "শুনা, মোৰ দেউতা হ'ল গড়ুৰ বংশৰ। মোৰ মাজত গড়ুৰৰ তেজ নথকা

নহয়। বুজিছানে কথাটো?"

নাগকন্যাই ক'লে, "গড়ুৰসকলৰ লগত নাগসকলৰ বৈৰীভাব নথকা নহয়। কিন্তু তোমাক যে মই প্ৰাণতকৈ অধিক ভাল পাওঁ—। তুমি যে মোৰ—"

লগে লগে ধীৰচন্দ্ৰই কৈ উঠিল, "ঠিক আছে, মই তোমাৰ লগত নাগলোকলৈ যাম, তাত আমি দুয়ো সুখে-সন্তোষে থাকিম।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা, নিজ স্বাৰ্থ সিদ্ধিৰ বাবে ধীৰচন্দ্ৰই নাগকন্যাক বিভিন্নভাৱে ব্যৱহাৰ তথা প্ৰতাৰণা কৰাৰ কথা আমি জানিছোঁ। কিন্তু একোপধ্যে নাগলোকলৈ যাবলৈ মান্তি নোহোৱা ধীৰচন্দ্ৰ হঠাৎ নাগলোকলৈ যাবলৈ মান্তি হ'ল কিয়? এয়া ধীৰচন্দ্ৰৰ উদাৰতা, দয়া, নে আন কিবা? জানিও সঠিককৈ উত্তৰ নিদিয়া যদি, তোমাৰ মূৰফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, ধীৰচন্দ্ৰই নাগকন্যাক প্ৰতাৰণা কৰিব খোজা নাছিল, ধূৰ্ত শূৰগুপ্তৰ মন্ত্ৰণাতহে তেনেকৈ কৰিছিল। ধীৰচন্দ্ৰই কোৱা যিকোনো কথা নাগকন্যাই ভাল পোৱাৰ নামত মানি লোৱাত, নাগকন্যাই ভালপোৱাৰ কাৰণে নিজে হেজাৰ বছৰীয়া আয়ুসৰ আধাতকৈয়ো অধিক বিসৰ্জন দিয়াত, আৰু সদৌশেষত নাগকন্যাই তাইৰ সকলো শক্তি বিসৰ্জি মানৱীৰ ৰূপতে মানুহৰ মাজত থাকিবলৈ মান্তি হোৱাত ধীৰচন্দ্ৰই অকস্মাৎ ভালপোৱাৰ পৰম মহিমা উপলব্ধি কৰিব পৰা হ'ল। ধীৰচন্দ্ৰৰ সম্মতিৰ মূলত কোনো দয়া, বা উদাৰতা নাছিল, আছিল মাথোন ভালপোৱা।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



ৰোগ নিৰ্ণয়

কৃপানন্দ আছিল সেই অঞ্চলৰ নামকৰা চিকিৎসক। তেওঁ বেমাৰীসকলক কৈছিল, “মই যি প্ৰশ্ন কৰিম, তাৰ সঠিক উত্তৰ দিবা। —যোৱা চাৰিদিন ধৰি তুমি কি কি কি আঞ্জাৰে ভাত খাইছিলা, কোৱাঁ। তোমাৰ খাদ্যৰ লগত তোমাৰ বেমাৰৰ স-সম্পৰ্ক নাই বুলি নাভাবিবা। গতিকে—ঠিক ঠিকমতে নোকোৱা যদি—মোৰ দৰবেও গুণ নিদিব।”

এই কথা শুনি বেমাৰীইতে চাৰিদিনৰ আঞ্জাৰ কথা বিস্তাৰিত কৈছিল। কৃপানন্দই অতি মনোযোগেৰে সিহঁতৰ কথা শুনিছিল আৰু তাৰ পাছ কৈছিল, “ঠিক আছে, বুজি পাইছোঁ।” এই বুলি কৈ দৰবপাতি দিছিল আৰু মাননী লৈছিল।

ৰত্নাচাৰ্য্য নামৰ যুৱক এজনে কৃপানন্দৰ শিষ্য হৈ চিকিৎসাবিদ্যা অধ্যয়ন কৰিছিল। এদিন ৰত্নাচাৰ্য্যই তাৰ গুৰু কৃপানন্দক ক'লে, “গুৰুদেৱ. আপুনি বেমাৰীইঁতক আন কোনো বিশেষ কথা নুসুধি চাৰিদিন ধৰি কি কি আঞ্জা খাইছিল—সেই কথাটো সোধে কিয়? ৰোগ-নিৰ্ণয়ৰ ক্ষেত্ৰত এই কথা জনা যে কিয় প্ৰয়োজন মোক কিন্তু আপুনি নিশিকালে।”

ৰত্নাচাৰ্য্যৰ কথা শুনি কৃপানন্দইহাঁহি মাৰি ক'লে, “এই সামান্য কথাটো নুবুজিলানে কোনজন বেমাৰীৰ আৰ্থিক অৱস্থা কেনেকুৱা—চাৰিদিনৰ খাওন-লওনৰ বিবৰণ শুনি মই তাৰ উমান লওঁ, আৰু তাৰ অৱস্থা চাই মাননী তথা দৰবৰ দাম সৰকাওঁ।”





আমাৰ দ'ল-দেৱালয়

কালীঘাট

বহুকালৰ আগৰ কথা। আত্মাৰাম নামৰ ব্ৰাহ্মণ এগাৰাকী প্ৰতিদিন গংগাৰ তীৰত বহি ধ্যান কৰিছিল। আত্মাৰাম লোকালয়ত নাথাকি গাঁৱৰ এক অতি আওহতীয়া চুকত থাকিছিল।

এদিন ধ্যান কৰাৰ অন্তত, সাঁজ লাগি ভগাৰ লগে লগে আত্মাৰামে প্ৰবহ-মানা গংগাৰ বুকুত এক উজ্জ্বল আলোক দেখা পাই স্তম্ভিত হ'ল। কিন্তু ভয়তে তেওঁ সেই আলোকৰ কাষ নাচাপিল।

বিনিদ্ৰ ৰাতি পাৰ কৰি, বোৱাৰী পুৱাতে আত্মাৰাম পুনৰ গংগতীৰলৈ গ'ল, আৰু তেতিয়াও সেই উজ্জ্বল আলোক উজলি থকা দেখা পালে। পানীত নামি ওচৰ চাপি চালেগৈ যে শিলৰ হাত এখন সেই আলোকৰ উৎস।

আত্মাৰামে এই শিৱৰ হাতখন ঘৰলৈ লৈ আহিল। সেই নিশা আত্মাৰামে সপোনত দেখিলে : দক্ষই যজ্ঞস্থলত সতীদেৱীক যথেচ্ছা ভৰ্ৎসনা কৰাত অকস্মাৎ সতীদেৱী মূৰ্ছিত হৈ পৰিল।

শিৱই সতীদেৱীক কান্ধত কঢ়িয়াই লৈ ভূলোকত অনাই-বনাই ফুৰিবলৈ ধৰিলে। সতীৰ শোকত বলিয়া শিৱক বাধা দিয়াৰ সাহস কাৰো নহ'ল।

অৱশেষত বিষ্ণুৱে শিৱলৈ তেওঁৰ বিষ্ণু-চক্ৰ নিক্ষেপ কৰিলে। এই চক্ৰই সতীৰ দেহ খণ্ড-বিখণ্ড কৰি পেলালে। সতী-দেৱীৰ খণ্ডিত দেহৰ বিভিন্ন অংশ বিভিন্ন ঠাইত পৰিল। সতীদেৱীৰ হাত এখন পৰিলহি এই গংগাত।

আত্মাৰামে সতীৰ এই হাতখন কালী গোসাঁনীৰ বিগ্ৰহৰ সৈতে সংযোজিত কৰি তেওঁৰ কুটীৰৰ ওচৰত প্ৰতিষ্ঠিত কৰি একমনে পূজিবলৈ ধৰিলে।

এনে আওহতীয়া ঠাইত, জংগলৰ মাজত থকা গোসাঁনীৰ কথা বহুকাললৈকে কোনেও নাজানিছিল। এবাৰ এগৰাকী জমিদাৰে নাৱেৰে গৈ থাকোঁতে শংখধ্বনি শুনি বৈ দিলে।

নাৱৰপৰা নামি, সেই শংখধ্বনি অনুসৰণ কৰি, জমিদাৰে কালী গোসাঁনীৰ বিগ্ৰহৰ সমুখত এগৰাকী সাধুক বহি থকা দেখা পালে আৰু কালী গোসাঁনীক প্ৰণাম কৰিলে।



তাৰ পাছত জমিদাৰে তাত এটি ধুনীয়া মন্দিৰ সাজি দিলে আৰু সেই আওহতীয়া ঠাইত থকা অটব্য হাবি কাটি বসতি স্থাপন কৰি দিলে।

তাৰ ফলত কালী মন্দিৰৰ খ্যাতি মুখে মুখে বিয়পি পৰিল। দলে দলে ভক্ত দূৰ-দূৰণিৰপৰা আহি থাকিল। বছৰৰ বিভিন্ন তিথিত বিভিন্ন উৎসৱ পতা হ'ল। ওঠৰ শতিকাত এই অঞ্চলৰ নাম আছিল কালীঘাট।





কাৰো কাৰো মতে 'কালীঘাট' নামৰ-পৰাই 'কলিকতা' নামটোৰ উৎপত্তি হৈছে। বৃটিছৰ দিনৰপৰা তথা ইষ্ট ইণ্ডিয়া কম্পেনিৰ আমোলৰপৰা অদ্যাপি কলিকতা নগৰ হ'ল ভাৰতৰ অন্যতম শ্ৰেষ্ঠ নগৰ আৰু কালী-ঘাটৰ সেই গৌৰৱ আজিও অক্ষুণ্ণ।

বিচিত্ৰ বিবিজান

বাগদাদ নগৰত ছিদিনুমান নামৰ এজন যুৱক ব্যৱসায়ী আছিল। হঠাৎ এদিন অপূৰ্ব ধুনীয়া, চালে চকু ৰৈ যোৱা গাভৰু ছোৱালীক দেখা পাই ছিদিনুমান যেনিবা শিলৰ দৰে থৰ হৈ গ'ল আৰু এই ৰূপৱতীক যেনেতেনে ছাদী (বিয়া) কৰাব বুলি মন বান্ধিলে।

ছিদিনুমানক তাৰ দোস্ত্ সকলে 'ছুমান' নামেৰে মাতিছিল। ছুমানে কিন্তু এই গাভৰুজনীক বিয়া কৰোৱাৰ কথা আনকি তাৰ প্ৰাণৰো প্ৰাণ দোস্তইঁতকো ক'বলৈ একদম পাহৰি থাকিল।

*

ছুমানে এই ৰূপৱতীক বিয়া কৰালে, আৰু এটা অট্টালিকা ভাড়ালৈ লৈ থাকিবলৈ ল'লে। দুটা দিন ভালে-কালে উকলিল॥ কিন্তু তৃতীয় দিনৰ দিনা ছুমানে লক্ষ্য কৰিলে যে তাৰ বিবিজানে (পৰিবাৰে) খোৱা ঠাইত বহেগৈ; কিন্তু একো নাখায়। ছুমানে তাইক খোৱা-বোৱা কৰিবলৈ অনুৰোধ কৰাতো তাই একো নোখোৱা হ'ল।

*

বিয়াৰ পাছত দহদিন পাৰ হ'ল; কিন্তু ছুমানে তাৰ বিবিক খোৱা-লোৱা কৰা নেদেখিলে। কিন্তু দহদিন ধৰি নাখায়ো বিবিয়ে কাম-বনখিনি কৰিছে, খোজ কাঢ়িছে। কেনেকৈনো? ছুমানে ভাবিলে: তাই নিশ্চয় আনে নেদেখাকৈ খায়। নোখোৱাকৈ মানুহ জীয়াই থাকিব পাৰেনে? কিন্তু পাছমুহূৰ্ত্ততে ভাবিলে: আনে নেদেখাকৈ তাই বাৰু খাব কিয়?

'আৰবদেশৰ দাস্তাঁ (সাধু)'



পাৰেই জীনটোৱে (ভূতটোৱে) ছুমানৰ বিবিৰ হাতত ধৰিলে, আৰু বিবিয়ে লগে লগে জঁাপ মাৰি দেৱাল পাৰ হৈ এন্ধাৰৰ মাজত মিলাই গ'ল।

এই দৃশ্য দেখি ছুমানৰ গাৰ নোম ডাল ডাল হৈ উঠিল। তাত অলপ পৰলৈ বৈ থকাৰ পাছত সি ভয়ে ভয়ে ঘৰলৈ উভতি আহিল। সি বিছনাত শুলেহি ; কিন্তু তাৰ দুচকু জাপ নোখোৱা হ'ল। তাৰ বিবিৰ লগত জীনটোৰ সম্পৰ্ক কি ? কিয় তাই যায় তালৈ ? কেনেকৈ তাইক বাধা দিব পাৰি ? এইবোৰ কথাকে সি দিনে-নিশা বাৰে ভাবি থাকিল।

এনিশা ছুমানে ভাবিলে ঃ গভীৰ ৰাতি তাই কি কৰে মই চাম। এই কথা ভাবি, ছুমানে চকু মুদি টোপনিউৰাৰ ভাও জুৰিলে। মাজনিশা তাৰ বিবিয়ে বিছনাৰপৰা নামি মেকুৰী খোজেৰে বাহিৰলৈ ওলাল, আৰু খন্তেকমানৰ পাছত ছুমানেও তাইৰ পিছ ল'লে। মাজনিশা বিবি যায় ক'লৈ—ছুমানে ভাবি উলিয়াব নোৱাৰিলে।

তাইৰ পিছে পিছে গৈ গৈ ছুমান কবৰস্থান পালেগৈ। কবৰস্থানৰ এখন ভঙা দেৱালৰ ওপৰত এটা জীন (ভূত) বহি আছিল। ছুমানৰ বিবিক দেখা

*

পাছদিনা খোৱাৰ পৰতে ছুমানে তাৰ বিবিক ক'লে, "শুনা, মোৰ ধনৰ অভাৱ নাই। তুমি কি খাবা কোৱাঁ, মই— যিমান ৰূপ লাগক আনি দিম। তোমাক যিকোনো বস্তু খুৱাবৰ ক্ষমতা মোৰ আছে। মোৰ ইমান ধন-দৌলত, তথাপি তুমি কিহৰ কাৰণে কবৰস্থানলৈ গৈছা। তুমি মোৰ বিবিজান হৈ এনেবোৰ লেতেৰা কাম কিয় কৰিছা কোৱাচোন ?"

এই কথা শুনি ছুমানৰ বিবি খঙতে ৰঙা পৰিল। তাইৰ দুচকুৰেদি যেনিবা জুই-আঙনিহে ওলাল। ছুমানে তাইৰ

নিশাচৰী গোপন কথা জানি গ'ল'বুলি ভাবি, তাই হাতত এচলু পানী লৈ, মন্ত্র মাতি, ছুমানৰ গাত ছটিয়াই দিয়াৰ লগে লগে ছুমান এটা কুকুৰলৈ ৰূপান্তৰিত হ'ল।

কুকুৰৰূপী ছুমানে ভয় খাই দৌৰি পলাবলৈ ধৰোঁতেই তাৰ বিবিয়ে তাক তাক মাৰি পেলাবলৈ চেষ্টা কৰি থাকিল। তথাপি সি পলাব পাৰিলে। কিন্তু বাটৰ কুকুৰবিলাকে তাক খেদি গৈ থাকিল। তেতিয়া কুকুৰৰূপী ছুমান এখন দোকানত সোমাই পৰিল। এই দোকানী মানুহজনৰ আছিল দয়ালু। তেওঁ বাটৰ কুকুৰবিলাকক খেদি দিলে আৰু ছুমানক আশ্রয় দিলে। তেতিয়াৰপৰা এসময়ৰ ধুনীয়া যুৱক, কুকুৰৰূপী ছুমান দোকানতে থাকি গ'ল।

*

এবাৰ এগৰাকী জেনানাই (মহিলা) সেই দোকানত ইটো-সিটো কিনি কেইটামান মুদ্রা দিলে। এই মুদ্রা-কেইটাৰ মাজত এটা মুদ্রা আছিল অচল মুদ্রা। দোকানীয়ে মহিলাগৰাকীক আন এটা মুদ্রা দিবলৈ কোৰাত মহিলাৰ উঠিল খং। তেতিয়া দোকানীয়ে ক'লে, "খং কৰিছে কেলেইনো? এই মুদ্রাটো যে অচল—মোৰ কুকুৰটোৰেও কিজানি

কৈ দিব পাৰিব।"

"হয়নে? বোলোঁ—হয়নে? কওকচোন কুকুৰে—চাওঁইচোন মই।" এই বুলি কৈ মহিলাগৰাকীয়ে কেইটামান মুদ্রা কুকুৰটোৰ আগত থৈ দিলে।

কুকুৰটোৱে তাৰ ঠেঙেৰে ভাল মুদ্রা-কেইটাক একালীয়াকৈ থৈ দিলে, আৰু নকল মুদ্রাবিলাক নুছুলে। কাণ্ড চাই মহিলাগৰাকীৰ মুখৰ মাত হৰিল।

*

তাৰ পাছত, এই আচৰিত কুকুৰটোৰ কথা ৰাইজৰ মাজত বিয়পি পৰিল। এদিন দুপৰীয়া, দোকানী মানুহজন

যেতিয়া বস্ত্ৰ-বাহানি সামৰি-সুতৰি থোৰাত ব্যস্ত হৈ আছিল, তেতিয়া, সেই ছেগতে এগৰাকী বুঢ়ীয়ে-কুকুৰটোক ইচাৰাৰে মাতি সেই ঠাইৰপৰা চুৰ কৰি লৈ গ'ল।

*

বুঢ়ীয়ে কুকুৰটোক ঘৰলৈ নি তেওঁৰ ছোৱালীজনীক ক'লে, "এয়ে সেই আচল-নকল মুদ্ৰা চিনি পোৱা কুকুৰটো। মোৰ কিন্তু ধাৰণা—কোনোবা পুৰুষ বা মহিলা তান্ত্ৰিকে কাৰোবাক কুকুৰ বনালে। তই এই কুকুৰটোক এবাৰ পৰীক্ষা কৰি চাচোন, আই।"

বিছ বছৰীয়া সেই ছোৱালীজনীয়ে কুকুৰটোক ভালকৈ নিৰীক্ষণ কৰি, এচলু পানী হাতত লৈ, মন্ত্ৰ মাতি, কুকুৰটোৰ গাত ছটিয়াই দিয়াৰ লগে লগেই কুকুৰ গুচি ছুমান ওলাই পৰিল।

ছুমানে ছোৱালীজনীক কৃতজ্ঞতা জনাই তাৰ এই দুৰ্ভাগ্যজনক অৱস্থাৰ কথা গুৰিৰেপৰা বিবৰি ক'লে।

এই ছোৱালীজনীয়ে ভালেমান মন্ত্ৰ জানিছিল। কিন্তু এইবোৰ মন্ত্ৰ আছিল মানুহৰ উপকাৰ কৰিবপৰা মন্ত্ৰ। ছোৱালী-জনীয়ে ভাগ্যহীন ছুমানক এফাকি বিশেষ মন্ত্ৰ শিকাই দিলে।

*

আৰু ছুমান তেতিয়াই তাৰ ঘৰলৈ গ'ল। কিন্তু ঘৰত তাৰ বিবি তেতিয়া নাছিল। ছুমানে তাৰ বিবিলৈ বাট চাই ৰৈ থাকিল। অলপ সময়ৰ অন্তত ছুমানৰ বিবি আহিল আৰু তাত ছুমানক দেখা পাই তৎ হেৰুউৱা যেন হৈ পৰিল। তাই ছুমানৰ ওপৰত পুনৰ পানী ছটিউৱাৰ জো-যা কৰোঁতেই ছুমানে মন্ত্ৰ মাতি তাইৰ গাত পানী এচলু ছটিয়াই দিলে। আৰু চকুৰ পচাৰতে ছুমানৰ বিচিত্ৰ বিবিজান চকুৰ পচাৰতে এটা ঘোঁৰাৰ পোৱালিলৈ ৰূপান্তৰিত হৈ পৰিল।

শিৱ-পুৰাণ

১৪

যজ্ঞৰ অশ্ব যিঠাইৰপৰা নোহোৱা হৈছিল, সেই ঠাইলৈ গৈ, মাটি খান্দি, সগৰ-পুত্ৰসৰে অশ্বটোক বিচাৰিবলৈ ধৰিলে। যজ্ঞৰ এই অশ্ব বিচাৰি নোপোৱালৈকে সিহঁতৰ মনত শান্তি নাহিব, জীৱনত মুক্তি নাহিব ; সিহঁত হৈ থাকিব সমাজ পৰিত্যক্ত, সকলোৰে কৰিব ঘৃণা। গতিকে—সৰ্বশক্তি প্ৰয়োগ কৰিয়েই সিহঁতে একমন-একপ্ৰাণ হৈ যজ্ঞাশ্ব বিচাৰি থাকিল। মাটি খান্দি খান্দি সিহঁত পাতাল পালেগৈ। তাত সিহঁতে কপিল মুনিক দেখা পালে। অশ্বমেধ যজ্ঞৰ সেই বহুবাঞ্ছিত আৰু ধুনীয়া অশ্বটো কপিল মুনিৰ কাষতে থিয় হৈ আছিল।

কপিল মুনিয়ে যজ্ঞৰ অশ্বটো চুৰ কৰি লৈ অহা বুলি সগৰপুত্ৰসৰে ভাবি ল'লে। এই কথা ভাবি সিহঁতে কপিল মুনিক গবা মাৰি ধৰিবলৈ জো-যা কৰোঁতেই কপিল মুনিৰ তপস্যা ভংগ হ'ল। তেওঁ অতিপাত ক্ৰুদ্ধ হৈ সগৰপুত্ৰসৰলৈ চালে। আৰু লগে লগে সগৰপুত্ৰগণ ভস্মীভূত হৈ পৰিল।

ইপিনে সগৰ ৰজাই পুত্ৰগণে হেনেতেনে যজ্ঞৰ অশ্বটো বিচাৰি উলিয়াব আৰু নিশ্চয় পুনৰ ধৰি লৈ আহিব বুলি বাট চাই আগ্ৰহ-উৎকণ্ঠা-উদ্বিগ্নতাৰে বৈ আছিল। তেতিয়া তেওঁৰ একমাত্ৰ চিন্তা—যজ্ঞৰ অশ্ব। পুত্ৰসৰ ভস্মীভূত হোৱাৰ বাতৰি নাৰদ

'গংগাৱতৰণ'

মুনিৰ হতুৱাই সগৰ ৰজাই পোৱা হ'ল। তেতিয়া বিপদগ্ৰস্ত সগৰ ৰজাই যেনেতেনে যজ্ঞাশ্বটোক তেতিয়াই ওভোতাই আনিবলৈ অসমঞ্জস্যৰ পুত্ৰ অংশুমন্তক কপিল মুনিৰ ওচৰলৈ পঠালে।

*

অংশুমন্ত পাতাললৈ গ'ল, আৰু কপিল মুনিক প্ৰণাম কৰি থিয় হৈ থাকিল। কপিল মুনিয়ে অংশুমন্তৰ নম্ৰ আচৰণ তথা ভদ্ৰ ব্যৱহাৰত তুষ্ট হৈ ক'লে, "বোপা, অশ্বটোক তুমি ওভোতাই লৈ যোৱা। পিছে—ইয়াত যে সিহঁত ভস্ম হৈ পৰি আছে, সেই কথাটো তোমাৰ ককাৰক তুমি বুজাই ক'বাগৈ।"

অংশুমন্তই কপিল মুনিক পুনৰ প্ৰণাম কৰি, প্ৰাৰ্থনা কৰাৰ ভংগীৰে থিয় হৈ ক'লে, "হে মহাত্মা, আমাৰ এই মৃত পিতৃসৰৰ স্বৰ্গপ্ৰাপ্তিৰ উপায়—আপুনি দয়া কৰি কৈ দিয়ক।"

"ইহঁতৰ পাপ কেইবাজনমো অতিক্ৰান্ত নোহোৱালৈকে স্খালিত নহ'ব। তোমাৰ নাতি-ল'ৰাইহে ইহঁতক পুনৰ্জীৱিত কৰিব পাৰিব।" কপিল মুনিয়ে অংশুমন্তক ক'লে।

অংশুমন্তই অশ্বটোক লৈ গুচি আহিল। অশ্বমেধ-যজ্ঞৰ অশ্ব ঘূৰাই পোৱাৰ অন্তত ৰজা সগৰে অংশুমন্তক তেতিয়াই সিংহাসনত অধিষ্ঠিত কৰিলে।

*

ৰজা হোৱাৰ পাছতো অংশুমন্তই তেওঁৰ পিতৃপুৰুষসকলৰ উদ্ধাৰৰ কথা চিন্তি থাকিল। এবাৰ গড়ুৰে তেওঁৰ লগত সাক্ষাৎ কৰি ক'লেহি, "তোমাৰ পিতৃপুৰুষগণৰ ওপৰেদি গংগাজল প্ৰবাহিত হ'লেহে তেওঁলোক পুনৰ্জীৱিত হৈ উঠিব।"

গংগাক ভূমিত অৱতৰণাৰ্থে অংশুমন্তই তেওঁৰ পুত্ৰ দিলীপক ৰজা পাতি, নিজে অৰণ্যলৈ গৈ কঠোৰভাৱে তপস্যা কৰি থাকিল। কিন্তু তপস্যাৰ ফল লাভৰ আগতেই তেওঁ স্বৰ্গী হ'ল।


Sankar



দিলীপৰ পুত্ৰ ভগীৰথ। ভগীৰথে তেওঁৰ ককাকসকলৰ কথা ভাবি, উদ্ধাৰৰ আশাৰে, ব্ৰহ্মালৈ তপস্যা কৰিবলৈ ধৰিলে।

বহু কাল তপস্যা কৰাৰ অন্তত ব্ৰহ্মাই ভগীৰথক তেওঁৰ ইচ্ছামতে যিমান কাললৈ মন যায় জীয়াই থকাৰ বৰ দান কৰিলে।

ব্ৰহ্মাৰপৰা এই বৰ লাভ কৰাৰ অন্তত ভগীৰথে গংগাৰ তপস্যাত ধৰিলে। বহু কাল জোৰা তপস্যাৰ অন্তত গংগাই ভগীৰথক দেখা দিলে, আৰু ভগীৰথৰ প্ৰাৰ্থনা শুনি ক'লে, "মোক যে তুমি ভূমিলৈ অৱতৰণ কৰিবলৈ কৈছা, মই যেতিয়া স্বৰ্গৰপৰা সবেগে ভূমিলৈ নামি আহিম, তেতিয়া মোৰ সেই প্ৰচণ্ড গতি ৰুধিব কোনে? মোৰ সেই অকল্পনীয় গতি ৰুধিব বা ধাৰণ কৰিব নোৱাৰিলে ভূমি ভেদ কৰি মই পাতাললৈহে গুচি যাম। তেতিয়া তোমাৰ কি লাভ হ'ব?"

"হে জননী, যিজনা শিৱই সমগ্ৰ জগতক ধাৰণ কৰিব পাৰে, তোমাকো তেৱেঁই ধাৰণ কৰিব। তেওঁৰ বাহিৰে আন কোনেও তোমাক ধাৰণ কৰিব নোৱাৰে।" ভগীৰথে ক'লে।

"মই ভূমিলৈ অৱতৰণ কৰামাত্ৰেই পাপীসৱে সকলো পাপ মোৰ জলেৰে প্ৰক্ষালিত কৰি শুদ্ধ কৰি ল'ব। তেনেকৈ প্ৰাপ্ত অতবোৰ পাপ মই স্খালন কৰিম কেনেকৈ?" গংগাই ভগীৰথক সুধিলে।

এই প্ৰশ্নৰ উত্তৰত ভগীৰথে গংগাক সবিনয়ে ক'লে, "আই! পাপীহঁতে তোমাৰ জলেৰে পাপ প্ৰক্ষালিত কৰিব, পুণ্যাত্মাসৰেও তো তোমাৰ জলেৰে অৱগাহন কৰিব। তেওঁসৰৰ পুণ্যই তোমাৰ প্ৰাপ্য পাপ ধুই-মচি নিকা কৰি দিব।"

"তথাস্তু। তেনেহ'লে — তোমাৰ ইচ্ছায়েই পূৰ্ণ হওক। এতিয়া, তুমি শিৱক তুষ্ট কৰাঁগৈ। তেওঁ যাতে মোক ধাৰণ কৰে—তাৰ বন্দৱস্ত কৰাঁ।" এই বুলি কৈ, গংগা অন্তৰ্হিতা হ'ল।

তেতিয়া ভগীৰথে বহি দিলে শিৱৰ তপস্যাত। যথাকালত শিৱ তুষ্ট হ'ল আৰু তেওঁ ভগীৰথক দেখা দিলেহি। শিৱই ভগীৰথৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে।

আৰু তাৰ পাছত, গংগা স্বৰ্গৰপৰা পোনে পোনেই জটীয়া শিৱৰ মস্তকোপৰি নমিলহি, আৰু শিৱৰ জটাৰপৰা ভূমিলৈ নামি আহি প্ৰবাহিতা হৈ থাকিল। ভগীৰথে ৰথ এখনত উঠি গংগাক পথ-প্ৰদৰ্শন কৰি কৰি লৈ যাবলৈ ধৰিলে। পৰিশেষত, সেই সগৰপুত্ৰসৰৰ ভস্মৰ ওপৰেদি গংগা প্ৰবাহিতা হৈ সমুদ্ৰত লীন হ'ল। সেই বাবে সমুদ্ৰৰ নতুন নাম হ'ল সাগৰ।

আৰু পৱিত্ৰা গংগাৰ স্পৰ্শলাভ কৰি সগৰ ৰজাৰ ভস্মীভূত হোৱা ষাঠিহেজাৰ পুত্ৰ তৎক্ষণাৎ পুনৰ্জীৱিত হৈ উঠিল।

স্বয়ম্ভু মনুৰ কালত একেৰাহে ষাঠি বছৰলৈ বৰষুণ নোহোৱাত ভয়ানক পৰিস্থিতিৰ উদ্ভৱ হৈছিল। মানুহ আৰু অন্যান্য জীৱ-জন্তু ক্ৰমাত মৰি থাকিল। এনে অৱস্থালৈ লক্ষ্য কৰি ব্ৰহ্মাই ভাবিলেঃ সমগ্ৰ জগতক ঠিক মতে পালিবলৈ তথা শাসন কৰিবলৈ এগৰাকী ৰজাৰ আৱশ্যক হৈছে। ব্ৰহ্মাই মনু-বংশজাত ৰিপুঞ্জয়ক বাছি উলিয়ালে। ব্ৰহ্মাই ৰিপুঞ্জয়ক ক'লে, "তুমি দিৱদাস নামেৰে খ্যাত হৈ জগতক শাসন তথা পালন কৰিবা। আৰু তুমি মোৰ আজ্ঞাত বিবাহ কৰাবা বাসুকী-কন্যা অনংগমোহিনীক।"

ৰিপুঞ্জয়ে ব্ৰহ্মাক ক'লে, "ককা, মই আপোনাৰ কথা আখৰে আখৰে পালন কৰিম। কিন্তু মোক বৰ এটা লাগে মই যিথন পৃথিৱী শাসন কৰিম, তাত পাতাল-লোকৰ আৰু উৰ্ধলোকৰো কোনো-কেও থাকিব নোৱাৰে।"

ৰিপুঞ্জয়ৰ কথাত সন্মত হৈ, ব্ৰহ্মাই কথাটো কাশীৰ বিশ্বেশ্বৰক ক'লেগৈ। বিশ্বেশ্বৰে ৰিপুঞ্জয়ৰ ওপৰত ভাৰাৰ্পণ কৰি

কৈলাসলৈ গুচি গ'ল।

ইপিনে এই ঘোষণা শুনি দেৱতা-সকলে প্ৰমাদ গণিলে। তেওঁলোক শিৱৰ কাষ চপাত শিৱই তেওঁলোকক ক'লে, "মোৰ লগত আলোচনা কৰিহে ব্ৰহ্মাই দিৱদাসক এই বৰ দান কৰিলে। আমাৰ ইয়াত থকাৰ প্ৰয়োজন নাই। আমি মন্দাৰ পৰ্বতলৈ গুচি যাম।"

*

তাৰ পাছত, পৃথিৱীৰ ক'তো দেৱতা নাথাকিল, দেৱালয়সমূহত পূজাৰ বাদ্য-ঘণ্টা নবজা হ'ল। দিৱদাসে কাশীত ৰাজধানী পাতি আঠ হাজাৰ বছৰ ধৰি পৃথিৱী-শাসন তথা পালন কৰি থাকিল।

দিৱদাসে অতি সুকলমে পৃথিৱীখন পালন কৰি আছিল। দেৱতাসকল অধৈৰ্য্য হৈ উঠিল। দিৱদাসক কেনেবাকৈ ভ্ৰষ্ট কৰিব পাৰিনে কি, তাৰ দিহা-পোহা ল'বলৈ দেৱতাসকলে বুদ্ধি, আৰু কুবুদ্ধিৰো গুৰু বৃহস্পতিৰ কাষ চাপিল।

দেৱতাসৱৰ কথা শুনি বৃহস্পতিয়ে বুদ্ধি দিলে, "অগ্নি, বায়ু, আৰু বৰুণ— এওঁলোক তো মানুহ নহয়। এওঁলোক আমাৰ আপোন। তেওঁলোকেই পৃথিৱীত হাহাকাৰৰ সৃষ্টি কৰিব পাৰিব দেখোন! প্ৰথমে অগ্নিক কোৱাঁগৈ, যাতে তেওঁ পৃথিৱীত তেওঁৰ শক্তি প্ৰয়োগ নকৰা হয়।"

তাৰ পাছত, কাশীৰ ক'তো জুই নজ্বলা হ'ল। তাৰ ফলত ৰন্ধা-বঢ়া বন্ধ হ'ল। দিৱদাসে প্ৰজাসৱক বুজাই ক'লে, "এয়া হ'ল দেৱতাহঁতৰ এক চক্ৰান্ত। তোমালোকে ধৈৰ্য্য ধাৰণ কৰাঁ, মই পুনৰ তপস্যা কৰি অগ্নি, বায়ু আৰু বৃষ্টিক পৃথিৱীত লৈ আহিম।"

*

দিৱদাসে কঠোৰ তপস্যা কৰি অগ্নি, বায়ু আৰু বৰুণক তুষ্ট কৰাত—বুদ্ধিৰাজ বৃহস্পতিৰ কুবুদ্ধি ব্যৰ্থ হ'ল।

মানুহৰ দাম

উদয়গিৰিৰ ৰজা উদয়সেনৰ শাসনকালত দেশত দুখীয়া বোলা মানুহনাছিল। সমগ্র দেশত আছিল সমবণ্টন-প্ৰথা। তাৰ ফলত কোনেও বেছি বা কম নাপাইছিল. জোখে-জোখাৰে সকলোটিয়ে লাগতিয়াল বস্তু পাইছিল। কিন্তু সেই বুলি দুই-চাৰি মগনিয়াৰ নথকা নাছিল, আছিল। পিছে—ভিক্ষুক থাকিলে কি হ'ব, ভিক্ষা পোৱাটোহে টান। কোনে ভিক্ষা দিব?

এদিন এজন যুৱকে নিৰুপায়ত পৰি, আৰু ভোকত জ্বলা-কলা দেখি বাটে বাটে ভিক্ষা খুজি থাকিল; কিন্তু কোনো বাটৰুৱায়েই তালৈ আনকি ঘূৰিও নোচোৱা হ'ল। যুৱকে তেতিয়া এঠাইত বহি চিঞৰি চিঞৰি কৈ থাকিল: "হে দয়াৱানসকল, এই দুখীয়াক ভিক্ষা দিয়ঁা। মই ভোকৰ পোৰণি সহিব নোৱাৰিছোঁ, মোক অলপ ভিক্ষা দিয়ঁা।" সি বাৰে বাৰে কৈ থাকিল এই কথা।

কিন্তু ইমানকৈ চিঞৰা সত্বেও তাক কোনেও ভিক্ষা নিদিলে। বেলিটো যেতিয়া মূৰৰ ওপৰত পোন হ'ল, তেতিয়া তাৰ ভোকো চৰিল। ভিখাৰী যুৱক ভগৱানৰ ওপৰত ক্রুদ্ধ হৈ উঠিল। সি ভগৱানক ক'লে, "হেৰ, ঐ ভগৱান বোলাটো, তই জীয়াই আছেনে মৰিলি? মোক পৃথিৱীলৈ পঠালি যদি খোৱাৰ যোগাৰ কিয় কৰি নপঠালি? মোৰ যেনেকৈ পেট পুৰিছে, তোৰ পেটো মোৰ দৰেই পোৰক। কেৱল তোৰেই পেট নহয়, তোৰ বাপেৰ-মাৰৰ পেটো পোৰক।"

যুৱক ভিক্ষুকে ভগৱানক এইদৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গালি পাৰি থাকোঁতে দেশৰ ৰজা সেই বাটেদি গৈ আছিল। ৰজাই ঘোঁৰাৰপৰা নামি আহি যুৱকক সুধিলে, "তুমি কাকনো গালি পাৰি আছা?"

"কাক আৰু, সেই হাৰামজাদা ভগৱন্তটোক।" ভিক্ষুক যুৱকে ক'লে।

"কিয়? ভগৱন্তই তো তোমাৰ একো অনিষ্ট কৰা নাই!" ৰজাই ক'লে।

"অনিষ্ট কৰা নাই বুলি ক'লেই হ'বনে? মই যে খাবলৈ পোৱা নাই তাৰ কাৰণে দায়ী কোন?" যুৱকে ক'লে।

"খোৱাবস্তু তো টকা-পইচা থাকিলেই কিনি খাব পাৰি। আৰু তোমাক টকা লাগিলে ময়েই দিব পাৰোঁ। মই এই দেশৰ ৰজা। এটা কাম কৰাঁ। তুমি তোমাৰ হাত এখন মোক দিয়াঁ, মই তোমাক এহেজাৰ সোণৰ মুদ্ৰা দিম। নহ'লে ভৰি এখন দিয়াঁ মোক, দুহেজাৰ সোণৰ মুদ্ৰা পাবা। আৰু যদি তুমি তোমাৰ চকুযুৰি মোক দিয়া, তেনেহ'লে দহ হেজাৰ সোণৰ মুদ্ৰা দিম মই, লগতে আধা ৰাজত্বো পাবা।" ৰজাই ক'লে।

"কিয় তোমাক মই মোৰ হাত-ভৰি-চকু বেচিম? একো নেবেচোঁ মই। মোক সোণৰ মুদ্ৰা নালাগে।" যুৱকে ক'লে।

"তেনেহ'লে—তোমাৰ কিহৰনো দুখ? তুমি ভাগ্যৱানহে। কিয়নো, তোমাৰ হাতৰ দাম এহেজাৰ সোণৰ মুদ্ৰাতকৈয়ো বেছি, ভৰিৰ দাম দুহেজাৰতকৈ অধিক আৰু চকুযুৰিৰ দাম ৰাজত্বতকৈয়ো মূল্যৱান। ভগৱানে এনেবোৰ অমূল্য বস্তু তোমাক দিলে আৰু তুমি তেওঁকেই গালি পাৰিছা! ভগৱানে দিয়া হাত-ভৰি-চকুৰ সদ্ব্যৱহাৰ কৰি উপাৰ্জন কৰাঁ, ভিক্ষাৰ প্ৰয়োজন নাই।" এই বুলি কৈ, ৰজা গুচি গ'ল।

*

তেতিয়াৰপৰা যুৱকে ভিক্ষাৰ সলনি শ্ৰম কৰি পেট প্ৰৱৰ্তাইছিল।

প্ৰাণৰ বৰণ বগা

শৌৰীৰাজ নামৰ এজন যুৱক আছিল। তাৰ বয়স আছিল চৌবিছ বছৰ। তাৰ ধন-সম্পত্তি একো নাছিল। সি এঠাইত কাম কৰিছিল। এদিন ঘৰলৈ ওভোতোঁতে ৰাতি হ'ল। ঘৰৰ ৰাবন্দাত গৌৰীহঁতৰ ঘৰুৱা কাম কৰা মানুজনক বহি থকা দেখা পাই শৌৰীৰাজ আচৰিত হ'ল। মানুহজনে ক'লে যে গৌৰীয়ে শৌৰীৰাজক এতিয়াই মাতিছে, মন্দিৰত দেখা কৰেগৈ যেন। গৌৰী আছিল তাইৰ দেউতাকৰ একমাত্ৰ ছোৱালী। সিহঁত শৌৰীৰ চুবুৰীয়া। শৌৰী দেখাই-মেলাই ভালেই। গৌৰীৰ দেউতাকে শৌৰীৰ লগতে গৌৰীৰ বিয়া পাতিব বুলি স্থিৰ কৰিছিল। শৌৰীৰাজে ভাবিলে ঃ বিয়াৰ কথা দেখোন খাটাং। ক'বলগীয়াখিনি ইয়াতে ক'ব পাৰিলে হয়, মন্দিৰলৈ গৈ কি হ'ব? যি-কথা সহজতে হ'ব পাৰে, সেই কথা ক'বলৈ বা শুনিবলৈনো ইমান দূৰলৈ যাব লাগিব কিয়? এই কথাত গৌৰীক অলপ বেয়াহে পালে শৌৰীয়ে। হেঁ, ছোৱালী হ'ল বুলি ইমান ফুটনিত বেঙেনা ভাজিব নালাগে নহয়? —তথাপি সি গ'ল।

গৌৰীয়ে শৌৰীলৈ উৎকণ্ঠাৰে বাট চাই আছিল। শৌৰীক আহি থকা দেখি গৌৰী দৌৰি আহিল তাৰ ওচৰত। শৌৰীয়ে মিঠাকৈ হাঁহি মাৰি সুধিলে, "কিবা জৰুৰী কথা আছেনে কি?"

গৌৰীয়ে ক'লে, "ওঁ, বৰ জৰুৰী। অহা পৰহি দিনা মোৰ বিয়া। কিন্তু তোমাৰ লগত নহয়, কোনোবা ক'ৰবাৰ

ৰমেশ হজুৰাৰী

আন এজনৰ লগতহে হ'ব।"

শৌৰীৰাজ যেনিবা বজ্ৰাহত হ'ল। পাছত সম্বিৎ ঘূৰাই পাই গৌৰীক সুধিলে, "কথানো কি—কোৱাচোন?"

গৌৰীয়ে গোটেই ঘটনাটো এইদৰে বিবৰিলেঃ কালি তাইৰ দেউতাকৰ বাল্যবন্ধু এজন আহিছিল, লগত আহিছিল সেই বন্ধুজনৰ ল'ৰা এটা। দুয়োজনেই হেনো দেশত আৰু বিদেশতো বেহা-বেপাৰ ক'ৰে। গৌৰীক দেখি বন্ধুপুত্ৰৰ পছন্দ হ'ল। বাল্যবন্ধুৱে বিয়াৰ প্ৰস্তাৱ উত্থাপন কৰাৰ লগে লগে গৌৰীৰ দেউতাকে সন্মতি দিলে আৰু তেতিয়াই নগদে-নগদ দিন-ক্ষণো একেবাৰে খাটাং কৰি পেলালে।

বাল্যবন্ধু গুচি যোৱাৰ পাছত গৌৰীয়ে তাইৰ অসন্মতি প্ৰকাশ কৰিছিল দেউতাকৰ ওচৰত। দেউতাকে ক্ৰুদ্ধ হৈ ক'লে, "একদম এটা কথাও নক'বি তই। শৌৰীৰ কি আছে? তাৰ একো নাই। তই নেখাই মৰিবি। টকা কোবাই ফুৰোঁতে তাৰ জনম যাব। আনহাতে—এওঁলোক হ'ল লাখপতি। ল'ৰাটো তাৰ বাপেকৰ একমাত্ৰ ল'ৰা। তই যদি এই বিয়াত মান্তি নহৈছ, মই ঘৰ-দুৱাৰ এৰি গুচি যামগৈ।" এই কাণ্ড যে হ'ব পাৰে, এনেকুৱা উদ্ভাওলি এটা যে ঘটিব পাৰে, গৌৰীয়ে তাৰ মাথা-মুণ্ড বুজিব নোৱাৰে। এনেকৈ ভণ্ড বিয়াতকৈ আনকি অগ্নিকুণ্ড জ্বলাই এইদণ্ডে পুৰি মৰিবলৈকো তাই সাজু। এইবোৰ কথা গৌৰীয়ে শৌৰীৰ আগত কান্দি কান্দি ক'লে। শৌৰীৰাজ ইমানেই কিংকৰ্তব্য-বিমূঢ় হৈ পৰিছিল যে সি গৌৰীক আনকি এটা বুজনিৰ বাক্যও ক'ব নোৱাৰিলে।

কি কৰিব—কি নকৰিব একো ভাবি উলিয়াব নোৱাৰিলে শৌৰীৰাজে। তাৰ পাছত গৌৰীক বুজনিৰে বিদায় দি, এচটা শিলৰ ওপৰত সিব হি থাকিল। সি যে কেনেকৈ এনে অদ্ভুত সমস্যাৰ সমাধান

কৰিব, কেনেকৈ গৌৰীৰ আগত তাৰ পুৰুষত্ব তথা নিজত্বক দাঙি ধৰিব, সেই কথাৰ আগ-গুৰি একো বিচাৰি নোপোৱা হ'ল সি।

বহুতো পৰলৈকে এইদৰে বহি থকাৰ অন্তত হঠাৎ সি উঠি থিয় হ'ল, আৰু পোনে পোনেই অলপ আঁতৰত থকা অটব্য অৰণ্যলৈ খোজ ল'লে। এই অৰণ্যত এক জনজাতি সম্প্ৰদায় বসবাস কৰিছিল। সিহঁতে জন্তু-জানোৱাৰ চিকাৰ কৰি খায়, আৰু সিহঁত বৰ নিষ্ঠুৰ প্ৰকৃতিৰ বুলি বহুতৰেই বিশ্বাস। শৌৰীৰাজে সেই অটব্য অৰণ্যৰ মাজেদি খোজ কাঢ়ি থাকোঁতে কোনোবাই উঠিল, "কোন—কোন তুমি? শীঘ্ৰে কোৱা কোন।"

পাছ মুহূৰ্ত্ততে দুজন কিচকিচ কৰে ক'লা শকত-আৰত মানুহ ওলাই আহিল শৌৰীৰ আগত। সিহঁত শৌৰীক সুধিলে, "এই দুপৰ নিশা গভীৰ অৰণ্যলৈ কি কাৰণে সোমালিহি তই?"

শৌৰীয়ে মুহূৰ্তমান ভাবি লৈ ক'লে "এই গভীৰ অৰণ্যত নিশ্চয় বাঘআছে। মই বাঘৰ পেটলৈ যাব খুজিছোঁ। ইমান কষ্টৰ জীৱন মই আৰু কটিয়াব নোৱাৰোঁ। কেৰে মোৰ দুখ নুবুজে, কোনেও মোৰ কাৰণে একে কৰিব নোৱাৰে।"

জনজাতীয় মানুহ দুজনৰ মাজত এজনে শৌৰীক ক'লে. "চা—আমাৰ কথা তুমি

শুনিব। মানুহৰ কষ্ট দেখি আমাৰ মনত দুখ হয়। সৌ অলপ দূৰত এটা টিলা আছে। সেই টিলাটোৰ টিঙত এটা ভাল তান্ত্ৰিক আছে। তুমি তেওঁক দুখৰ কথা ক'লে, তান্ত্ৰিকটোৱে তোক সহায় কৰি দিব। যাবিনেকি ক'। ব'ল তোক লৈ যাওঁ তালৈ।"

তান্ত্ৰিকে শৌৰীৰাজক দেখা পায়েই ক'লে, "দীৰ্ঘ বাৰ বছৰৰ অন্ততহে মামাৰৰ খবৰ ল'লিনে— ?"

"মামা, মই বৰ দুখত আছোঁ। নহ'লে এই গভীৰ নিশা তোমাক আমনি দিওঁহিনে— ?" শৌৰীৰাজে ক'লে।

তান্ত্ৰিকৰ সমুখত একুৰা জুই জ্বলি আছিল। জ্বলি থকা খৰি এডাল শৌৰীৰ মুখৰ পিনে দাঙি ধৰি তান্ত্ৰিকে সুধিলে, "তোমাৰনো কিহৰ দুখ ?"

শৌৰীৰাজে সকলো কথা তান্ত্ৰিকক ক'লে। তাৰ পাছত সি পুনৰ ক'লে, "গৌৰীক যদি মই নাপাওঁ, মোৰ জীৱন মিছা। তেনেস্থলত—মই তোমাৰ ওচৰত থাকিম। অহা পৰহি দিনা বিয়াৰ লগন। এতিয়া — তুমি তন্ত্ৰ-মন্ত্ৰ তাৰিজ-কবচ যিহেৰে পাৰা যেনেকৈ পাৰা—মোক তুমি সহায় কৰা, মামা।"

পাছ মুহূৰ্ততে আওঁঠাত অলপ পানী ঢালি, এটা আওঁঠা শৌৰীৰ হাতত দি তান্ত্ৰিকে ক'লে, "তুমি যিজনীক বিয়া কৰাব খুজিছা, তাই এই এডাৰটুকুৰা গুৰৰ দৰে খায় যেন। বছ, মোক একো নুসুধিবা।" এই বুলি কৈ তান্ত্ৰিকে শৌৰীৰাজক তৎক্ষণাৎ গুচি যাবলৈ হাতেৰে ইংগিত কৰিলে।

এই এডাৰৰ টুকুৰাটো লৈ শৌৰীৰাজ পোনে পোনেই গৌৰীৰ শোৱনিকোঠালৈ গ'ল আৰু সি কোঠাটোৰ খিৰিকীত টুকুৰিয়ালে। লগে লগে খিৰিকীখন খোল খাই পৰিল। শৌৰীৰাজে গৌৰীৰ হাতত এডাৰ টুকুৰা দি শুন-নুশুনকৈ

ক'লে, "মোক কোনো প্ৰশ্ন নকৰাকৈ এই এঙাৰ টুকুৰাক গুৰ বুলি ভাবি চোবাই খোৱাঁ।" এই বুলি কৈ, তাত আৰু নৰৈ, শৌৰীৰাজ তাৰপৰা গুচি গ'ল।

ৰাতিপুৱা গৌৰীৰ মাক আৰু আন সকলোটি অবাক-হতবাক হ'ল। গৌৰীৰ গাৰ বৰণ আছিল সোণ যেন হালধীয়া, ৰাতিটোৰ ভিতৰতে হ'লগৈ কেটোৰ-ক'লীয়া। গৌৰীৰ এই বেমাৰৰ বাতৰি বনাগ্নিৰ দৰে সকলোতে বিয়পি পৰিল। বাতৰিটো গৌৰীৰ দেউতাকৰ বাল্যবন্ধুৰ কাণতো নপৰাকৈ নাথাকিল। বাল্যবন্ধু উধাতু খাই আহিলে, গৌৰীক দেখিলে, আৰু ক'লে, ইমান ম'হ যেন ক'লীজনীক মই বোৱাৰী হিচাপে লওঁ কেনেকৈ? তাইৰ গাত কিজানি ভূতুনীয়েহে লম্ভিলে।"

গৌৰীৰ দেউতাকে যৌতুক আৰু নগদ-নাৰায়ণৰো পৰিমাণ বঢ়াই দিব বুলি কোৱাতো বাল্যবন্ধু বন্ধাৰ হুলাবাৰিটো হৈয়েই থাকিল। তাৰ পাছত তেওঁ ফুটিল।

ঠিক তেতিয়াই সেই বাটেদি শৌৰীৰাজ তাৰ কৰ্মস্থললৈ গৈ আছিল। গৌৰীৰ দেউতাকে শৌৰীৰ হাতত ধৰি ক'লে, "হেৰাহে বোপা, মোৰ অন্যায় হৈছিল, এতিয়া তুমি আৰু দায়-দোষ নধৰি মোৰ মান-সন্মান আৰু তাইৰ জান বচোৱাহে বোপা।"

শৌৰীয়ে নম্ৰতাৰে ক'লে, "আপুনি একদম চিন্তা নকৰিব, গৌৰীক পাম— এয়া মোৰ সৌভাগ্যহে।"

গৌৰী আঁৰত থিয় হৈ আছিল। তাই ওলাই আহি ক'লে, "ওহোঁ, মোৰ দৰে ক'লীক তুমি বিয়া নকৰোৱাই ভাল। মোৰ কাৰণে জীৱন নষ্ট নকৰিবা।"

শৌৰীয়ে একো নকৈ পোনে-পোনেই তান্ত্ৰিকমামাৰ ওচৰলৈ গ'ল। তান্ত্ৰিক মামাক সকলো কথা ভাঙি-পাতি বুজাই কোৱাত তেওঁ শৌৰীক ক'লে, "হ'লনে তোমাৰ ইচ্ছা পূৰণ?"

শৌৰীৰাজে উৎসাহেৰে ক'লে, "হ'ল। নিশ্চয় হ'ল। কিন্তু তাইৰ আগৰ বৰণ ঘূৰাই দিব লাগিব, মামা।"

"সেইবোৰ নহৈছে। তেনেকুৱা মন্ত্ৰ-তন্ত্ৰ মই নাজানো।" তান্ত্ৰিকে ক'লে।

শৌৰী ক'লা পৰিল। তেতিয়া তান্ত্ৰিকেই পুনৰ ক'লে, "তোমাৰনো কিহৰ দুখ? তাইৰ গাৰ বৰণ ক'লা হ'ল; কিন্তু তাইৰ প্ৰাণ তো আগৰ দৰেই ধকধকীয়া বগা আছে। তাই তোমাক ভাল পায়—এয়ে ডাঙৰ কথা। আৰুনো কি লাগিছে তোমাক?"

শৌৰীয়ে ক'লে, "মামা, তোমাৰ ধাৰণা ভুল। তাই ক'লা হ'ল বুলি মই বিয়া নকৰাকৈ নাথাকোঁ। পিছে—এটা কাম কৰিব পাৰা দেখোন। মোকো এটুকুৰা তেনেকুৱা এঙাৰ দিয়া, ময়ো তাইৰ দৰে ক'লা হ'ম।"

"অপূৰ্ব!" তান্ত্ৰিকমামাই কৈ উঠিল, "মই অতপৰে তোমাক পৰীক্ষা কৰি চাইছিলোঁহে। এয়া লোৱাঁ—।" এই বুলি কৈ মোনা এটাৰপৰা জামু এটা উলিয়াই আনি শৌৰীৰ হাতত দি ক'লে, "এইটো খুৱাই দিলেই তাই আগৰ বৰণ ঘূৰাই পাব। —যোৱা এতিয়া, মোক একদম জ্বলা-ক'লা নকৰিবা।"

শৌৰীয়ে ক'লে, "বিয়াৰ পাছত কৃতজ্ঞতা জনাবলৈ আমি দুয়ো আহিম।"

"নাহিবা।" তান্ত্ৰিকে আমনি পোৱা যেন হৈ ক'লে, "মোৰ এই কথা কাকো নক'বা, কোৱাটো মই নিবিচাৰোঁ। আনৰ উপকাৰ মনে মনে কৰিব লাগে, মনে মনে ৰাখিব লাগে। কদাপি নাহিবা মোৰ ইয়ালৈ। এতিয়া—গুচা ইয়াৰপৰা।"

বিয়াৰ ৰাতি গৌৰীয়ে এই জামুটো খোৱাৰ অলপ পাছত আগৰ সোণ যেন হালধীয়া বৰণ ঘূৰাই পালে। তেতিয়া আছিল ঠিক শুভদৃষ্টিৰ ক্ষণ।

সময়-নিৰ্ণয়

ৰজা সুৰেন্দ্ৰই তেওঁৰ পুত্ৰক শিক্ষা লাভৰ বাবে শ্ৰীকৰ্ণৰ টোললৈ পঠালে। এবছৰৰ অন্তত টোললৈ গৈ, পুত্ৰক পৰীক্ষা কৰি, ৰজাই বিতুষ্ট হৈ ভাবি থাকিল যে অতি কম সময়ত কেনেকৈ শিক্ষালাভ-পৰ্ব সমাপ্ত কৰিব পাৰি।

ৰজা সুৰেন্দ্ৰই শ্ৰীকৰ্ণক ক'লে, "গুৰুদেৱ, ৰাজকোঁৱৰৰ শিক্ষালাভ দুই-তিনি বছৰৰ ভিতৰত সাং কৰিব পাৰিলেহে ভাল হয়।"

ৰজাৰ কথা শুনি শ্ৰীকৰ্ণই ইফালে-সিফালে চাবলৈ ধৰিলে। অদূৰত থকা টোলগৃহ নিৰ্মাণৰ বাবে অনা ইটা, চূণ, বালি ইত্যাদিলৈ আঙুলিয়াই শ্ৰীকৰ্ণই ৰজাক ক'লে, "এই পৰি থকা বস্তবোৰ জোখে-জোখে মিশ্ৰিত কৰি বিদ্যালয়গৃহ নিৰ্মিত হ'ব। বিভিন্ন স্তম্ভ নিৰ্মাণ কৰি বিদ্যালয়গৃহটো সমাপ্ত কৰোঁতে কমেও এবছৰ সময়ৰ আৱশ্যক হ'ব। এই পকী ঘৰটোৰ পৰিৱৰ্তে এটা কেঁচা পঁজাঘৰ নিৰ্মাণ কৰাহেঁতেন চাৰি-পাঁচদিনতে হৈ গ'লহেঁতেন। কিন্তু পকীঘৰ নে পঁজাঘৰ লাগে—সেই কথাটো প্ৰথমেই থাটাং কৰিব লাগিব।"

এই কথা শুনি ৰজা সুৰেন্দ্ৰই লাজ পাই কৈ উঠিল, "ৰাজকোঁৱৰক ঠিকমতে শিক্ষিত কৰি তোলোঁতে যিমান দিন আৱশ্যক সিমান দিন সি ইয়াতে'থাকক। এই বিষয়ে মোৰ একো খৰ-খেদা নাই।"

চাণক্য-চৰিত

[যোৱা সংখ্যাৰ পিছৰপৰা]

নন্দৰ প্ৰাসাদ অধিকাৰৰ অন্তত ৰাজ-প্ৰাসাদৰ সকলো বয়-বস্তু চাণক্যই চন্দ্ৰগুপ্ত আৰু পৰ্বতৰ মাজত ভগাই দিলে। ৰাজপ্ৰাসাদৰ এজনী লিগিৰীক ভাগ কৰা নগ'ল। পৰ্বতে এই লিগিৰীজনীক খুজি ল'লে। এইজনী লিগিৰীৰ দেহত বিষ আছিল। নাৰীলোভী পৰ্বতে লিগিৰীজনীক বিয়া কৰাই তাইৰ হাতত ধৰাৰ লগে লগে তেওঁৰ নিজৰ দেহতো বিষক্ৰিয়া আৰম্ভ হ'ল। চন্দ্ৰগুপ্তই চিকিৎসকক মতাই অনোৱাত উদ্যোগী হওঁতেই চাণক্যই চন্দ্ৰগুপ্তক নিৰস্ত কৰিলে।

যিজন পৰ্বতৰ সহায়ত চাণক্যই নন্দ সাম্ৰাজ্য অধিকাৰ কৰিছিল, সেইজনক আনকি চিকিৎসা কৰাতো বাধা দি প্ৰকাৰান্তৰে হত্যাহে কৰিলে। আৰু এই দৰে, পৰ্বতৰ মৃত্যুৰ পাছত চন্দ্ৰগুপ্ত নন্দ সাম্ৰাজ্যৰ পূৰ্ণ অধিকাৰী হ'ল।

*

চন্দ্ৰগুপ্ত দেশৰ ৰজা হ'ল; কিন্তু ৰাজকোষ আছিল ধনশূন্য। চাণক্যই ৰাজকোষৰ বাবে ধন সংগ্ৰহ কৰিবলৈ এক নতুন উপায় উদ্ভাৱন কৰিলে। তেওঁ দেশৰ ধনিকহঁতৰ মনত লোভ সৃষ্টিকাৰী জুৱাখেলৰ ব্যৱস্থা কৰিলে। এই পদ্ধতিৰে চাণক্যই ভালেখিনি ধন ৰাজকোষত আনিলে, কিন্তু ৰাজকোষ তো এই উপায়েৰে ধনেৰে পূৰ্ণ কৰিব নোৱাৰি।

তেতিয়া চাণক্যই আন এটা পৰিকল্পনা হাতত ল'লে। তেওঁ ৰাজধানীৰ গণ্যমান্য লোকসকলক ৰাজপ্ৰাসাদত ভোজ খাবলৈ

'জৈন-পুৰাণ-কথা',

নিমন্ত্রণ কৰিলে। এই ভোজত সুৰাপানৰো ব্যৱস্থা আছিল। যেৱে যিমান খুজিলে, সিমানেই সুৰা পান কৰিবলৈ দিয়া হ'ল। মদৰ ৰাগীয়ে যেতিয়া প্ৰবল আকাৰ ল'লে, তেতিয়া চাণক্য নিজৰ সৌভাগ্যৰ কথা দম্ফি মাৰি সকলটিৰ আগত ক'লে। স্বয়ং ৰজা চন্দ্ৰগুপ্তয়ো যে তেওঁৰ কথামতে চলে—সেই কথাটোও তেওঁ এটা শ্লোকৰ যোগেদি সকলোৱে শুনিব আৰু বুজিব পৰাকৈ ক'লে। তেতিয়া এনেকুৱা এক পৰিস্থিতিৰ সৃষ্টি হ'ল যে—প্ৰতিজন গণ্য-মান্য লোকেই দম্ফি মাৰি নিজ নিজ প্ৰতিপত্তি তথা বিষয়-সম্পত্তিৰ কথা কৈ থাকিল। আৰু এইদৰে, একে একে ইজনৰ কথা শুনি সিজনেও ক'বলৈ ধৰিলে।

●

আৰু তাৰ পাছদিনৰেপৰাই ৰাজধানীৰ ধনী লোকসকলৰ বিষয়-সম্পদ ৰাজকোষা-গাৰৰ বাবে বাজেয়াপ্ত কৰা হ'ল, আৰু চন্দ্ৰগুৰ ৰাজকোষ ধনে-সোণে পূৰ্ণ হৈ উঠিল। ধনৰ অভাৱ নোহোৱা হ'ল।

*

চন্দ্ৰগুপ্তৰ শাসনকালত এবাৰ দেশত আকালে দেখা দিছিল। আনকি ৰাজধানীৰ জৈন সন্যাসীসকলেও ভিক্ষা পোৱা নাছিল। তেওঁলোকৰ আচাৰ্য্য সুস্থিতে তেওঁৰ শিষ্যসকলক ৰাজধানীৰ বাহিৰৰ-পৰা ভিক্ষা খুজি আনিবলৈ ক'লে। শিষ্যবৰ্গই গুৰুৰ আদেশ পালন কৰিলে; কিন্তু দুজন শিষ্য ৰাজধানী এৰি নগ'ল।

এই শিষ্য দুজনে এনে এবিধ অঞ্জন—অৰ্থাৎ কাজল তৈয়াৰী কৰিব পাৰিছিল, যি অঞ্জন চকুত লগালে আন কোনেও তেওঁলোকক একেবাৰে দেখা নাপাইছিল। এই শিষ্য দুজনে সেই অঞ্জন চকুত লগাই, ৰাজপ্ৰাসাদত সোমাই, চন্দ্ৰগুপ্তৰ কাঁহীৰ-পৰা সুখাদ্য খাই গুচি আহিছিল।

*

ভালেমানে দিন এইদৰে চলি থাকিল।

চন্দ্ৰগুপ্ত দিনে দিনে খীণাই যাবলৈ ধৰিলে। এদিন চাণক্যই চন্দ্ৰগুপ্তক এই এই বিষয়ে শোধাত চন্দ্ৰগুপ্তই ক'লে, "মই যে কিয় খীণাইছোঁ, ক'ব নোৱাৰোঁ। আগতে যি পৰিমাণে খাদ্য মোক দিয়া হৈছিল এতিয়াও দিয়া হয়। কিন্তু দিয়া সত্বেও সেই পৰিমাণৰ খাদ্য মই কিজানি খাবলৈহে পোৱা নাই।"

চন্দ্ৰগুপ্তৰ খাদ্য যে কিবা আচৰিত উপায়েৰে অদৃশ্য হৈছে—চাণক্যই নুবুজাকৈ নাথাকিল। ঘটনাৰ ৰেহৰূপ জনাৰ বাবে তেওঁ চন্দ্ৰগুপ্তৰ ভোজন-কক্ষৰ মজিয়াত মিহি গুড়ি ছটিয়ালে। পাছদিনা দেখা গ'ল সেই মজিয়াত ভৰিৰ ছাপ।

*

সিদিনা চন্দ্ৰগুপ্তৰ সেই ভোজনকক্ষত চাণক্য ডাঠকৈ ধোঁৱা দিয়ালে। এই ধোঁৱাৰ ফলত চকুৰপৰা পানী ওলাল। সেই জৈন শিষ্য দুজনৰ চকুৰপৰাও পানী ওলাল, আৰু এই পানীয়ে শিষ্যদ্বয়ৰ চকুৰ অঞ্জন অৰ্থাৎ কাজল ধুই দিলে। তেতিয়া সিহঁত দুজনক সকলোৱে দেখা পোৱা হ'ল আৰু সিহঁতৰ ওপৰত ক্ৰুদ্ধ হৈ উঠিল। কিন্তু চাণক্যই জৈন শিষ্যদ্বয়ক নমস্কাৰ কৰি সসম্মানে বিদায় দিলে।

ইমান দিন ধৰি আনৰ এৰেহা খোৱা বুলি ধাৰণা হ'ল চন্দ্ৰগুপ্তৰ। কিন্তু চাণক্যই চন্দ্ৰগুপ্তক ক'লে যে সন্যাসী দুজনক খুৱাই তেওঁ পুণ্যহে আৰ্জিলে। চাণক্যই জৈন আচাৰ্য্যক শিষ্যদ্বয়ৰ কথা ক'লত আচাৰ্য্যই চাণক্যক ক'লে, "ৰাজধানীৰ অধিবাসী-সকলে জৈন ভিক্ষুসকলক ভিক্ষা দিয়া-হেঁতেন এনে অৱস্থাৰ উদ্ভৱ নহ'লহেঁতেন।"

তেতিয়া চাণক্যই সন্যাসীসকলে যাতে ভিক্ষা পায় তাৰ বন্দৰস্ত কৰি দিলে।

*

এদিন চাণক্যই ভাবিলে: চন্দ্ৰগুপ্তৰ খাদ্যত কোনোবাই যে বিহ মিহলাই নিদিব—তাৰ মানে নাই। এই কথা



ভাবি তেওঁ নিজেই চন্দ্রগুপ্তৰ খাদ্যত নিচেই নামমাত্র পৰিমাণে কোনেও নজনাকৈ বিহ মিহলাই খাবলৈ দি থাকিল। দিনে দিনে খাদ্যত বিহৰ মাত্রা বাঢ়ি গ'ল; কিন্তু চন্দ্রগুপ্তই এইবোৰ কথাৰ একো-এটাও গমকে নাপালে।

*

দুৰ্দ্ধৰ তেতিয়া গৰ্ভৱতী। এদিন আহাৰৰ সময়ত চন্দ্রগুপ্তৰ কাষত বহি থাকোঁতে দুৰ্দ্ধৰে চন্দ্রগুপ্তৰ কাঁহীৰপৰা অলপ খাদ্য খালে আৰু সেই খাদ্য খাই লগে লগে দুৰ্দ্ধৰৰ মৃত্যু হ'ল। দুৰ্দ্ধৰৰ মৃত্যু-সংবাদ পায়েই চাণক্য লৰি আহি দুৰ্দ্ধৰৰ পেট ফালি সন্তানটিক উলিয়াই আনিলে। তথাপি এধানমান বিষ সেই সন্তানটিৰ ভিতৰতো অনুপ্ৰবিষ্ট হৈছিল। সেই কাৰণে পৰৱৰ্তীকালত দুৰ্দ্ধৰৰ গৰ্ভৰ এই শিশুটিৰ নাম থোৱা হৈছিল—বিন্দুসাৰ।

*

চন্দ্রগুপ্তৰ মৃত্যুৰ পাছত চাণক্যই বিন্দুসাৰক ৰজা পাতিছিল। কিন্তু তেওঁ আৰু অধিক দিনলৈ মন্ত্ৰীপদত নাছিল। চাণক্য সুবন্ধু নামৰ এজনক দেশ-শাসনৰ বিষয়ে শিক্ষা দিছিল। কিন্তু সুবন্ধুৱে তলে তলে বিন্দুসাৰক চাণক্যৰ বিৰুদ্ধে বিদ্বেষভাৱাপন্ন কৰি তুলিলে। তেতিয়াৰ-পৰা চাণক্যক দেখা পোৱামাত্ৰেই বিন্দু-সাৰে বিৰক্তি প্ৰকাশ কৰিছিল।

কথাটো চাণক্যৰ ওচৰত অপ্ৰকাশিত নাথাকিল। চাণক্যই বৈৰাগ্যৰ বাট বাছি ল'লে। পিছে—সুবন্ধুক তেওঁ ক্ষমা কৰা নাছিল। সুবন্ধুৰ পতনৰ পথ তেওঁ প্ৰশস্ত কৰিছিল। চাণক্যই ভূৰ্জপত্ৰত, অৰ্থাৎ ভূজপাতত কিবা যেন লিখি, সেই পাত আৰু সুগন্ধি দ্ৰব্য কিছুখিনি এটা বাকচত তলা লগাই থৈ দিলে। তাৰ পাছত তেওঁ তেওঁৰ বিষয়-সম্পত্তি দুখীয়াহঁতক বিলাই দিলে আৰু গেৰেকনিত বহি আধাখোৱাকৈ কটাবলৈ ধৰিলে।

বিন্দুসাৰে চাণক্যক পুনৰ মন্ত্ৰীপদ ল'বলৈ কোৱাত চাণক্য একোপধ্যে মান্তি নহ'ল। তেতিয়া বিন্দুসাৰ সুবন্ধুৰ ওপৰত ৰুষ্ট হোৱাত সুবন্ধুৱে চাণক্যৰ মনৰ পৰিৱৰ্তনৰ বাবে যথাসাধ্য চেষ্টা কৰাৰ প্ৰতিশ্ৰুতি দিলে।

কিন্তু চাণক্যৰ ওচৰলৈ গৈ, সুবন্ধুৱে গেৰেকনিত জুই লগাই দিলে। লগে লগে জুই জ্বলি উঠিল, আৰু সেই জুইত চাণক্য পুৰি মৰিল।

বিন্দুসাৰৰপৰা অনুমতি লাভ কৰি সুবন্ধুৱে চাণক্যৰ বয়-বস্তুৰ ভিতৰত চাণক্যই লুকাই থোৱা ধন-সোণ বিচাৰি থাকিল। এটা বাকচ খোলাৰ লগে লগে সুগন্ধ ওলাল। বাকচটোৰ ভিতৰত ভূজপাত দেখা পাই সুবন্ধুৱে ভাবিলে যে এই ভূজপাতত নিশ্চয় চাণক্যৰ গোপন ধন-সম্পদৰ কথা লিখা আছে। কিন্তু ভূজপাতৰ লিখাখিনি পঢ়ি তাৰ মুখ শেঁতা পৰিল যেন। ভূজপাতত লিখা আছিল ঃ যিসকলে সন্যাসীৰ জীৱন যাপন নকৰে, তেওঁলোকে যদি এই সুগন্ধিৰ ঘ্ৰাণ লয়, তেনেহ'লে তেওঁলোকৰ অৱশ্যেই মৃত্যু হ'ব।

কথাটো সঁচাকৈয়ে সঁচা হয়নে নহয় সেই কথা ফটফটীয়াকৈ জানিবলৈ সুবন্ধুৱে এজন গৃহস্থক এই সুগন্ধি শুঙিবলৈ কোৱাত গৃহস্থই শুঙিলে আৰু লগে লগে গৃহস্থজনৰ মৃত্যু হ'ল।

এই ঘটনা দেখি সুবন্ধুৱে মন্ত্ৰীত্বৰ পদত ইস্তফা দিলে আৰু জৈন সন্যাসীৰ জীৱন যাপিবলৈ ধৰিলে। সুবন্ধু যে কিয় হঠাৎ সন্যাসী হ'ল—সেই ৰহস্য জানিব পাৰি অন্যান্য জৈন সন্যাসীসকলে সুবন্ধুলৈ অৱহেলাৰ দৃষ্টিৰে চাবলৈ ধৰিলে। সুবন্ধু জীৱন্মৃত হৈ থাকিল।

এইদৰে, তীক্ষ্ণবুদ্ধি চাণক্যই মৰিও শত্ৰুৰ ওপৰত ভালকৈ প্ৰতিশোধ লৈছিল।

টাছমানিয়াৰ হিংস্র জন্তু

অষ্ট্রেলিয়াৰ দক্ষিণ-পূব দিশত অৱস্থিত টাছমানিয়া দ্বীপটো সূৰ্য্যালোকেৰে সমুজ্জ্বল। এই দ্বীপত বিচিত্র ধৰণৰ হিংস্র জন্তু আছে। এই দ্বীপৰ কুকুৰনেচীয়া, ডেভিল আৰু টাইগাৰ ক্যাট অতি বিখ্যাত।

টাছমানিয়াৰ কুকুৰনেচীয়াবোৰ আকাৰত বিৰাট। দেখাত হুবহু কুকুৰনেচীয়া নহয়; কিন্তু কুকুৰনেচীয়াৰ লগত মিলে। ইহঁতৰ গাত বিচিত্র দাগ আছে। মাইকী কুকুৰ-নেচীয়াহঁতৰ গাত এটা মোনা আছে। ইহঁতৰ মাতৃত্ববোধ অতি প্ৰখৰ। ডাঙৰ হোৱালৈকে পোৱালিক এই মোনাটোৰ ভিতৰতে লৈ ফুৰে। মোনাটোৰ ভিতৰত বহি বহিয়ে পোৱালিয়ে তাৰ মাকৰ পিয়াহ খাব পাৰে। পোৱালিটোৰ যে কেতিয়া ভোক লাগে, মাকে গম পায়, আৰু তেতিয়া পিয়াহ খাবলৈ দিয়ে। আগতে এই কুকুৰনেচীয়াবিলাক বিভিন্ন গুহাত বাস কৰিছিল। এতিয়া ইহঁত অষ্ট্রেলিয়াৰ মূল ভূখণ্ডত নাথাকে। এতিয়া একমাত্র টাছমানিয়া দ্বীপতহে ইহঁতক দেখা যায়।

টাছমানিয়া দ্বীপৰ আন এটা জন্তু হ'ল ডেভিল। ডেভিল এক বিচিত্র জন্তু। ইয়াৰ মূৰটো প্ৰকাণ্ড। দেহ শক্তিশালী। ইহঁতৰ কাণদুখন ঘূৰণীয়াবিধৰ। গোটেই দেহত দীঘল দীঘল নোম। নোমৰ বৰণ ক'লা আৰু ছাইৰঙীও হয়। আকৌ বগাও নোহোৱা নহয়। ইহঁতে ওৰে ৰাতি খাদ্য বিচাৰি ঘূৰি ফুৰে। ইহঁত হেনো দেখাত কুকুৰৰ দৰে। কিছুমানৰ গাত বগা দাগ থকা দেখা যায়। বেলি ওলোৱাৰ পাছত ইহঁতে চকুৰে মনিব নোৱাৰে। সেয়েহে, ইহঁতে দিনৰ ভাগত গুহাত সোমাই থাকে আৰু দিনটো টোপনিয়ায়। ইহঁতক যে কিয় হিংস্র বুলি কোৱা হয়, সেই কথা বুজা টান। ইহঁতৰ চলন-ফুৰণত হিংস্রতাৰ চিন পৰিলক্ষিত নহয়। ইহঁতে পোৱালিহঁতৰ সৈতে খেল-ধেমালি কৰে। অষ্ট্রেলিয়াৰ মানুহে পোৱালি ডেভিলক ঘৰচীয়া কৰি নোলোৱাও নহয়।

টাছমানিয়াৰ অন্যতম হিংস্র-জন্তু হ'ল টাইগাৰ ক্যাট। ইহঁত দেখাত বিৰালীৰ দৰে। ইহঁতৰ দাঁতো বিৰালীৰ দৰে; কিন্তু সিমান চোকা নহয়। ইহঁতৰ কাণ দুখন চুটি আৰু গা নোমাল।

আৰু লগতে ফৰহেন্স ফ্লোৰাইদ'এ যোগায় সেই সুবিদিত ফৰহেন্স যত্ন

FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

ফৰহেন্স ফ্লোৰোইদ। আলু সুদৃঢ় কৰে। দন্তছিদ্ৰ ৰোধ কৰে।

404 GM-183 ASM

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আশা

দ্বিতীয় ফটো : ভাষা

পুৰস্কাৰ পাওঁতা : প্ৰণৱজ্যোতি ডেকা পাটাছাৰকুছি বিদ্যাপীঠ, বৰপেটা।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। কমাণ্ডাৰ পিৰি ২। আমুণ্ডছেন ৩। এবেল টামছন
৪। স্যৰ ফ্ৰান্সিছ ড্ৰেক ৫। ভিক্ট'ৰিয়া জলপ্ৰপাত।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

"যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো···
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।"

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা···মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি···মোৰ গালত এয়া কিহৰ দাগ···ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত···নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে "হেৰ' পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।" মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়পি
পৰাটোও
ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেচিল
শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

পাপা জী?
পার্লে-G!
PARLE
Gluco
BISCUITS
কিয়নো 'পার্লে-G?
এতিয়া আপোনাৰ এই প্ৰিয় ভালপোৱা বিস্কুটতো আনন্দেৰে কওঁ 'পার্লে-G'। সচাকৈয়ে 'পার্লে-G' বুলি কৈ ভাল নালাগেনে? কিয়নো আপোনাৰ জীৱন মধুৰময় কৰি তুলিছে পালে গ্লুকোৰ গুণে।
জীৱন-সখি—সকলো সময়তে লগ দিয়া গ্লুকো। জীৱন-শক্তি—স্বাদযুক্ত গাখীৰ, ঘেহু আৰু চেনি।
জীৱন-স্বাদ—আপোনাৰ পৰিচিত সেই সকলো।
PARLE
Gluco
আনন্দেৰে কওঁ 'পার্লে-G'
জুতিলগা পুষ্টিকৰ আহাৰ।
ভাৰতৰ অত্যাধিক বিক্ৰী হোৱা বিস্কুট।
everest/85/PP/558-as